# BHATTADEV UNIVERSITY MIRROR

A Quarterly Magazine
of Department of
Mass Communication
and
Journalism



Vol-03 No.01
July 2021 - November 2021

# BHATTADEV UNIVERSITY

## MIRROR

***A quarterly megazine published by Deptt. of MCJ***

**Vol. -III No. 1**

**Advisor :** Dr. Binita Bora Dev Choudhury

**Chief Editor :** Rana Das

**Editorial Board :** Ankur Protim Dutta
Sharmistha Das
Dr. Joyjit Deka
Bishal Bharadwaj
Varbina Deka
Himadri Dutta
Rituparna Devi
Sushmita Sharma

**Special Thanks to :**

Prof. Birinchi Kr. Das
(Hon'ble Vice-Chancellor)

Dr. Surendra Mohan Nath
(Working Registrar)

**Produced by :**
Department of Mass Communication & Journalism
Bhattadeev University, Bajali

# গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপিকাৰ বাৰ্তা,



**ড° বিনীতা বৰা দেৱচৌধুৰী**
মুৰববী অধ্যাপিকা
গণসংযোগ আৰু সাংবাদিকতা বিভাগ

**এয়া গণসংযোগৰ যুগ...**

গণসংযোগ, জীৱজগতৰ প্ৰথম চৰ্ত। অকল মানুহেই নহয় সকলো জীৱই বিচাৰে পৰস্পৰৰ সংযোগ স্থাপন কৰিবলৈ। ব্যক্তিগত আৰু সামাজিক দুয়ো ভাৱে। মাধ্যম হয়তো বেলেগ বেলেগ। উদ্দেশ্য একেটাই পৰস্পৰৰ ভাৱ, চিন্তা বিনিময় কৰা। সময়ে সময়ে মাধ্যমবোৰ সলনি হয়।

মানৱ জীৱনৰ, মানৱ সভ্যতাৰ এটা অতি গুৰুত্বপূৰ্ণ অৱদান গণসংযোগ। কেতিয়াবা মাধ্যম হৈছে গীত, কেতিয়াবা নাট, কেতিয়াবা সাহিত্য, কথাছবি, বাতৰি কাকত, অনাতাঁৰ, দূৰদৰ্শন। এতিয়া আটাইতকৈ জনপ্ৰিয় আৰু সুলভ নব্য সামাজিক মাধ্যম। মানুহৰ চিন্তাধাৰাক গতিশীল কৰি ৰাখিবলৈ, সমাজ একোখনক দেশ তথা বিশ্বৰ বিভিন্ন পৰিৱেশ পৰিস্থিতি সম্পৰ্কে সজাগ কৰি ৰাখিবলৈ গণসংযোগৰ মাধ্যম সমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। বৰ্তমান সময়ত বাণিজ্যিকীকৰণে সংবাদ মাধ্যমক কেতিয়াবা ব্যক্তিগত স্বাৰ্থপূৰণৰ আহিলা কৰি তোলা দেখা যায়। যাৰ ফলত সমাজত বিভ্ৰান্তিৰ সৃষ্টি হয়, অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হয়। গণসংযোগ ভাৱে ব্যৱহাৰ কৰাৰ একমাত্ৰ বাণী হ'ল সততা, আৰু দায়বদ্ধতা। নৱ প্ৰজন্মৰ শিক্ষাৰ্থীসকল এই দুটা শব্দেৰে সাহীয়াল আৰু বলীয়ান হৈ আগবাঢ়ি যাওঁক গণসংযোগৰ যাত্ৰাপথত।

# সম্পাদকীয়



ক'ভিড সৃষ্ট এই জটিল পৰিৱেশৰ পৰা এটি সুস্থ পৰিৱেশ লৈ আমি লাহে লাহে আগবাঢ়িব পাৰিছো। প্ৰতিটো সমস্যাৰ যেনেকৈ সমাধান থাকে ঠিক একেদৰে প্ৰতিটো সমস্যাই আমাক সকলো দিশতে আকৌ এবাৰ নতুনকৈ ভাবিবৰ সুযোগ দিয়ে আৰু এই বন্ধৰ সময়তে এইবাৰৰ "ভট্টদেৱ ইউনিভাৰ্ছিটি মিৰোৰ" তিনিমহীয়াকৈ প্ৰকাশ কৰাৰ বাবে প্ৰস্তুতি হাতত তুলি লৈছিলোঁ। যিহেতু ডিজিটেল ৰূপত উলিওৱাৰ প্ৰয়াস কৰিলোঁ সেয়েহে আমি উচ্চাকাংক্ষী আছিলোঁ যে অকল লেখনিয়ে নহয় এইবাৰ আমি অডি'অ, ভিডিঅ'ৰ লগতে ফটোগ্ৰাফো প্ৰকাশ কৰিম আৰু এই আলোচনীখন হৈ পৰিব ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সকলোধৰণৰ প্ৰতিভা প্ৰকাশৰ এখন ৰংগমঞ্চ।। ছাত্ৰ-ছাত্ৰী আৰু বিশ্ববিদ্যালয়ৰ মহোদয়- মহোদয়াসকলৰ নতুন নতুন চিন্তাধাৰাৰ সমাহাৰেৰে আলোচনীখন প্ৰকাশৰ শেষ পৰ্যায়ত উপনিত কৰাব পাৰি নথৈ আনন্দিত হৈ পৰিছো। ডিজিটেল ৰূপত আৰু প্ৰথম বাৰৰ বাবে অডিঅ', ভিডিঅ'ৰ সংযোজনৰ বাবে অধিক হাৰত আৰু নিখুঁতভাৱে এই কাৰ্য সম্পন্ন কৰিব নোৱাৰিলোঁ যদিও এই যাত্ৰাত সকলো সময়তে সহযোগ কৰা আমাৰ বিভাগৰ প্ৰতিগৰাকী মহোদয়-মহোদৰ প্ৰতি আমি চিৰকৃতজ্ঞ হৈ ৰ'ম। লগতে এই সুযোগতে সম্পাদনা সমিতিৰ মোৰ প্ৰতিগৰাকী বন্ধু-বান্ধৱীক অশেষ ধন্যবাদ আৰু শুভেচ্ছা জনাব বিচাৰিছোঁ, তোমালোকৰ সহায়-সহযোগিতাৰ ফলতহে এই পৰ্যায়ত আমি একেলগে উপনিত হ'ব পাৰিছো।। আশা কৰিছোঁ পাঠকে পঢ়ি নতুন নতুন বিষয়ত কিছু কথা জানিব পাৰিব আৰু উপভোগ কৰিব।

**— ৰাণা দাস**

# Table of Contents


## ENGLISH SECTION

**1) Short story**

- **My Friend**

**2) Article**

- **History of manuscript**

## ASSAMESE SECTION

১) গল্প

- বিদীৰ্ণ শেৱালীৰ সুৱাস
- আঁকিব ধৰা কেনভাচ্

২) প্ৰবন্ধ

- আপোনাৰ বিষয়ে আনে কি ভাৱে?
- জম্বি (Zombie) ৰহস্য
- ভট্টদেৱ বিশ্ববিদ্যালয়ত বিজ্ঞান প্ৰকল্প সম্পাদনাৰ অনুভৱ
- গণসংযোগ আৰু সাংবাদিকতা কি?
- অসমীয়া সংবাদ মাধ্যমৰ প্ৰতি যুৱ-প্ৰজন্মৰ মনোভাৱ ঃ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জৰীপ

3) কবিতা

- ভালপোৱা?
- মুক্তিপণ
- চিনাকি ঠিকনা
- ন-প্ৰত্যাশা
- সময়
- এই সময় সলনি হওঁক
- কোন তুমি?
- সকলো তুমি
- নষ্ট চন্দ্ৰ আৰু বিষাদৰ আকাশ

**4) News Capsule**

**5) Arts & Photographs**

# My Friend
## (A SHORT STORY)

✍ **Jnanesh Roy Choudhury**
Asst. Professor, Department of English
Bhattadev University, Bajali

At a Sunday dinner, when we all sat to relish chicken cooked with Koldil (Banana flower) my father said, "Deben Das called me today and told me that Simanta Barua's son got married. What was his name?"

"Akash?" I said.

"No, his younger son who was with you in the same class in the G.U. Model School."

I was too interested to enjoy the chicken cooked by my sister and disinterested in anything about Abhi who was my school friend in my primary school situated inside the lush green Gauhati University Campus. I am in contact with Abhi's elder brother Akash Barua who is a renowned writer and a faculty at Queen's College, City University of New York but never have I once asked Akash da about Abhi or what he is doing in life.

Abhi and I grew up in the same place, called Jalukbari nestled in the lap of nature next to the hills where chirruping of birds welcome you every morning and the howling of foxes announces the end of the day, where swans glided in the pond in front of your house and the Johamols(Indian Civet) leaves a sweet fragrance of joha rice. We used to stay in one of those University quarters in the road that leads to Government Ayurvedic College and Assam Engineering College and they used to live in a rented house in a place called Pragjyotish nagar attached to the campus.

Our father used to drop us at school while going to his Department and Abhi's father did the same while going to his workplace. Abhi was plump and had red white cheeks and hence, soon got the nickname 'Appal' (Apple). Abhi was never bright in studies but was full of robust energy that he tried giving a vent to by fighting with our fellow classmates but never with me. His favourite period in the whole day at school was the lunch break when he could go out under the open sky and play sports, mainly football and fighting. Abhi hated to study and books were probably his greatest enemies. He would only be happy again was when the school got over.

While our Aunt used to come and pick me up and my sister from school which was perhaps at a 2 km distance from our quarter, Abhi used to return with us along with our three other friends- Rajashri, Tapashi and

Chayanika. By the time we returned from school through a canopy of gulmohar and laburnum trees, Abhi's clothes were already soiled, his shirt button torn, shirt untucked. Abhi reminds you in certain ways of Huckleberry Finn in Mark Twain's novel. He would pick up pebbles, twigs of trees from the road, throw them, and tease the stray dogs. During the season of lychee, our mandatory stopping point was the Vice Chancellor's quarter to collect lychee from the tree near the gate by throwing stones at the tree. Obviously, Abhi collected more lychees than us as he used to keep the stones ready in his pocket. Sometimes the guards sitting in a bench under the tree would shout and shoo us away and on other days they would themselves offer us the juicy lychees. In those days, there was no such terror of the monkeys in the campus as people had not yet cut the hills and built houses in the habitats of the animals.

In the evening, Abhi would again come to our quarter to play cricket with me and take a longer circuitous route to go home. They were those days when Campus kids still used to play outside in the evenings.

One Saturday evening, he came to our quarter not to play cricket but to watch the Hindi blockbuster movie Sholay. During those days, when we hardly got to watch Hindi blockbuster movies in Doordarshan, the only channel available in our T.V. sets, it was an eagerly anticipated day. For the last few days, he had been constantly telling me in the school itself that he would come to watch the movie. By Saturday, he had memorized by-heart almost all the famous dialogues of the movie, "Yeh haath mujhe de dey, Thakur. Yeh haath mujhe de dey." ('Give me these hands, Thakur.') At the end of the movie, Abhi cried and hold my hands. Then, together we sang the famous song of the movie, "Yeh dosti hum nahi todenge/ Todenge dam magar tera saath na chhodenge." ("We will never break our friendship/ Till my last breath I will not leave your side.") It was already past 8 pm and Abhi's father, Barua uncle came searching for him. Next day, he told me in the class that he received a thrashing from his father. For the next few days, he would hum that song "Yeh dosti hum nehi todenge" while returning from school.

We were in class IV when his parents decided to shift to Chandmari, the busy heart of the city where concrete buildings make you difficult to breathe and the constant honking of traffic numbs your senses. And Abhi was transferred to Don Bosco School. The day before they left, Abhi came to play with me. We sat on a culvert outside our quarter and talked.

He said. "I want to become a don in Bombay."

"I want to become a filmmaker," I said as we dreamt under a crimson blue sky watching the sun set behind the hills.

That was probably our last proper meeting and as in those days, we did not even own a landline phone, we could not exchange phone numbers.

During my higher secondary days in Cotton College, one day, my father mentioned

that he met Barua Uncle in the All India Radio Centre at Chandmari but they could not talk properly as Barua uncle was in a hurry to pick up his son from Don Bosco School. I was a little shocked to learn that Abhi was still in school while I was doing my H.S.; I surmised that he probably failed in his school's annual exams and did not think much about it nor about Abhi as I had new friends and other challenges in life to worry about. After my H.S., I went to Delhi to study for my under-graduate and post-graduate courses. Once during my summer vacation, when I was at home, my father met Barua uncle and when enquired about Abhi, he told my father that Abhi met an accident some years ago and therefore lost some years of his academic life. However, I soon learnt from an old neighbour that Abhi tried to commit suicide by jumping off from the Chandmari flyover. He was into substance abuse for a considerable period of time then.

As it happens, in the rat race that we are all running we leave behind those who cannot run the race, I too forgot about Abhi. Later when I came into contact with Abhi's elder brother Akash da, I hesitated to ask him about Abhi thinking he might not be comfortable to answer me just like my aunt feels uncomfortable to talk about her son in a society where a person's worth is measured in terms of success he achieves in life.

That Sunday when my father mentioned about Abhi, I displayed an indifferent attitude. It was only after my sister who sternly said, "Don't you remember your friend in school, Abhi?" that I realized how arrogantly I had behaved.

After that I tried to collect his address from a person and decided to pay a visit to their Panjabari residence. So, on the next Sunday, I booked a cab and went to his place. It was after more than twenty years that I was going to meet Abhi. The sky was light blue with wandering clouds. When I rang the bell, a young girl opened the door. I guessed she might be Abhi's wife.

I said, "Is Abhi at home?"  I heard that Abhi ran a small stationery shop near his home. She went inside and Uncle came out after a few seconds.  I said, "Uncle, how are you and where is Abhi?"

Uncle sighed and said, "Abhi expired a few days ago,"  I became dumb. I didn't know what to say. I somehow managed to ask, "How?" "He fell down in the bathroom. He had a cardiac arrest."

I could not stay there any longer. A sudden pain filled my chest as if it was going to burst. I could not fathom how a thirty-two year old boy can leave so early. As I was returning home, childhood memories of Abhi kept flashing in my mind in their never ending train of thoughts. The sky had turned crimson as the sun was going to set. As I looked outside my car window, I noticed Abhi's red white face smiling at me from behind the clouds in the sky.

# HISTORY OF MANUSCRIPTS

✍ **Hiyanjalee Rangra**
6th Sem, MCJ Dept.

The invention of the printing press by Johannes Guttenberg in C. 1440 CE signaled the beginning of the end of the handmade books generally and illuminated manuscripts specifically.

Most medieval manuscripts, illuminate or not were written on Calf, sheep or goat skin, but most manuscripts important enough to illuminate were written on the based quality of parchment called vellum. "Illuminate manuscripts where so called because of their frequent incorporation of gold or sometimes Silverl eaf onto the page. New books appeared most often when a new monastery was founded and does illuminated manuscript disappeared.

7 amazing facts about illuminated manuscripts:-

They are As Old, If Not Older, than "Mona Lisa":- To put their extreme age into context, many illuminated Manuscripts date back to the 13th and 14th centuries. They actually predate Leonardo da Vinci's "Mona Lisa", which was ceated in the early 16th century.

They somehow survived for centuries:- The pages themselves are vellum (parchment made from animals skin) and the paints are plant -based, so if not scared for, they are extremely susceptible to deterioration. Each manuscripts was handmade:- They predate the invention of the printing press (around 1455), so each book was written and decorated by hand. This means every single page is a unique work of art. Yes, That is Real Gold on the Page:- Illuminators would pound gold until it was thinner than paper to glide the pages. Illumination was used to help exalt the religious text found within each book, and scribes considered the use of gold to be a form of praising God.

Illuminated Manuscripts were considered symbols of wealth:- Initially illuminated manuscripts were created solely for monastries. By the mid 15th century, they wee commercially reproduced and featured non religious subject matter. By the 16th century production plummeted manuscripts were only reserved for the wealthy.

They are Windows into History:- Thanks to monograms, inscriptions, and artisans markings, the origins of these pages can be traced back to their original owners or illustrators.

Occasionally, They Have Eccentric Imaginary:- As illuminated manuscripts were primarily created for religious purposes, a lot of the imagery is what you would expect: Biblical scenes like the crucifixion, depiction of angels and saints, and so on. But, sometimes, the artists spiced things up in the margins and blank spaces. For example, in a Book of Hours created C…1480 in Paris, one page inexplicably has and illustration of a monkey perched on a cannon.

**Source – internet**

# বিদীৰ্ণ শেৱালীৰ সুৱাস

**দেনিশা শৰ্মা**
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

"আজি তোমাৰ মা থকা হ'লে মোতকৈ তেওঁ বহুত বেছি শান্তি পালেহেঁতেন।"

"কি? এয়া তুমি কি কৈ আছা মা?"

মাকৰ মুখলৈ চাই শান্তিয়ে চিঞৰি উঠিল। আচৰিত হৈ তাই ক্ষন্তেকৰ বাবে অবাক হৈ মাকৰ পিনে চাই ৰল। বহুত চেষ্টা কৰিও মমতাই সঁচা কথাবোৰ আৰু ঢাকি ৰাখিব নোৱাৰিলে। নতুন ঘৰখনতে যে ইমান শাস্তি পাব, মানৱৰ দৰে লৰাটো' যে ইমান নিষ্ঠুৰ হ'ব বুলি তাই কেতিয়াও ভাবিব পৰা নাছিল। মাক-দেউতাকে তাইৰ চেহেৰাৰ পৰিবৰ্তন দেখি প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰিছিল। অন্তৰত দুখ পাব বুলি প্ৰথম বাৰ ঘৰলৈ আহিয়েই মমতাই মাক-দেউতাককো ক'ব বিচৰা নাছিল কথাবোৰ, কিন্তু নোৱাৰিলে সেই সত্য ঢাকিব। জীয়ৰীৰ এনে দুৰ্দশাৰ কথা গম পাই তেওঁলোকে মনত বহুত আঘাত পালে। নিৰুপায় হৈ তেওঁলোকে কপালক দোষ দিলে। সেইখন ঘৰলৈ পুনৰ উভতি নাযাওঁ বুলিয়েই সিদ্ধান্ত লৈছিল মন তাই। কিন্তু, অজস্ৰ বিপদ নিশ্চিত জানিও, মাথোঁ সংসাৰিক দায়িত্ব আৰু সমাজৰ চকুত লজ্জিত হোৱাৰ ভয়ত তাই পুনৰ উভতিল গৈ। 'পৰিতাপৰ কথা যে পুনৰ গিৰীয়েক আৰু শাহুৱেকৰ বজ্ৰৰ দৰে শাৰীৰিক আৰু মানসিক অত্যাচাৰত নিমাতে জৰ্জতিত হ'বলৈ ধৰিলে তাই। এনেকৈ জুই-পানী একাকাৰ কৰি জীয়াই থকাতকৈ মমতাই আত্ম হত্যা কৰিব বুলি মনতে সিদ্ধান্ত কৰিলে। বহুতে অশ্ৰুসংগী উজাগৰী ৰাতি পাৰ কৰিলে। কিন্তু নোৱাৰিলে, কাৰণ তাইৰ যন্ত্ৰণাময় যুগ্মজীৱনৰ সাক্ষী মমতাৰ গৰ্ভত স্থিতি লৈছিল, যাৰ লগত তাই এনে অন্যায় কৰিব নোৱাৰে। তাৰ পিছত, কিছু দিনলৈ তাই অকণমান মানৱী মাত পাবলৈ সক্ষম হ'ল যদিও তাই নিশ্চিত আছিল, সেয়াও যে আছিল মাথো পুত্ৰ সন্তানৰ বাবে হে আদৰণী। কিন্তু মমতাক বিবেকে বাৰ-বাৰ এটা কথাই খুলি খুলি খাইছিল যে পুত্ৰ সন্তানৰ বিপৰীতে যদি তাইৰ গৰ্ভত ছোৱালী সন্তান জন্ম লাভ কৰে তাই আৰু এই পৃথিৱীত জীয়াই থাকিব নোৱাৰে। অৱশেষত সেই ভয়েই সত্যৰূপ পালে। মমতাই এজনী নিৰঞ্জনা ছোৱালী জন্ম দিলে। কিন্তু অতি দূৰ্ভাগ্যজনক যে তাৰ পিছৰে পৰা মমতাৰ জীৱন মৰণৰ পাৰ্থক্য নোহোৱা হৈ পৰিছিল। এই পৃথিৱীত ছোৱালী হৈ জন্ম লোৱাটোৱেই যেন কণমানিজনীৰ দুৰ্ভাগ্য আছিল। মৰম- আদৰ পোৱাটো দূৰৰে কথা, শেৱালী কোমল- সেই পানী কেঁচুৱাজনী দেউতাক- আইতাকৰ ওচৰত জাৱৰৰ দমৰ পৰিত্যক্ত পেলনীয়া সামগ্ৰীত পৰিণত হ'ল। 'তথাপি, হেজাৰ শাস্তি সহ্য কৰি হ'লেও মমতাই কোনো মতে তাইৰ প্ৰাণটোহে বছাই ৰাখিলে। এনেকৈয়ে ধুমুহাৰ দৰে এটা বছৰ পাৰ হ'ল।

এদিন দুপৰীয়াৰ কথা। শান্তিয়ে বিছনাত বৰকৈ কান্দি আছিল। এনেতে দেউতাক আহি ওলাল। নিচাত অস্থিৰ দানৱৰূপী মানৱে সহ্য কৰিব নোৱাৰি দাখন আনি সমস্ত গাৰজোৰেৰে তাইৰ ওপৰত উঠালেহি। মমতাই পানী আনিবলৈ বুলি ওলাই আহোঁতে এই দৃশ্যদেখি তৎক্ষণাৎ জীয়েকক বছাবলৈ দৌৰি আহিলত দাৰ ঘাপটো মমতাৰ ডিঙিতে পৰি গ'ল। 'শান্তি বাছিল, কিন্তু মাকৰ মৰম বেছি দিনলৈ নাপালে। সি খঙতে ছোৱালীজনীকো মাৰি পেলাব খুজিছিল। কিন্তু তাৰ আগতেই তাৰ হাত বান্ধ খালে। পুলিচ

আহি তাক গ্ৰেপ্তাৰ কৰিলে। নৰহত্যাৰ লেখীয়া মহাপাপ কৰাৰ বিনিময়ত মানৱে কেইবাবছৰলৈ কাৰাগাৰত বন্দী হৈ থাকিব লগা হ'ল। ইফালে তাৰ মাক বিমোৰত পৰিছিল। কাৰণ, সেই ফুল কলিহেন ছোৱালীজনীক তুলি-তালি ডাঙৰ কৰাৰ সামৰ্থ্যকনো আইতাকৰ নাছিল। সেয়ে দুদিন মান যেনে তেনে নিজেই তাইৰ আলপৈচান ধৰি বুঢ়ীয়ে মানুহক কাবৌ- কাতৰ কৰি হ'লেও বহু ঠাইলৈ গৈ ছোৱালীজনীক তুলিব পৰা মানুহ বিচাৰি ফুৰিলে। সিহঁতৰ ওচৰৰে গাঁওখনত আকৌ এখন অতি চহকী ঘৰৰ দীপ্তি নামৰ গাভৰু ছোৱালী এজনী আছিল। বহু দিনৰে পৰা মানৱ- মমতাৰ সংসাৰৰ বিলৈ তাই শুনি আহিছে। এতিয়া যেনেই কণমানি জনীৰ দুৰ্গতিৰ কথা গম পালে, তেনেই নিজেই শান্তিৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহিল। তাই নিজৰ ঘৰলৈ লৈ গৈ কনমানিজীনক তুলি-তালি ভালদৰে ৰাখিলে। পিছে সমস্যাটো তেতিয়াহে হৈছিল, যেতিয়া মানৱ জেলৰ পৰা মুক্ত হ'ল। পাঁচবছৰীয়া নিজৰ শিশুটিক এতিয়া আইনৰ মতে সি নিজৰ কৰিবই লাগিব। নহ'লে আকৌ আইন শাস্তি দিব তাক। ছোৱালীজনীকতো আৰু বিক্ৰী কৰি দিব নোৱাৰে। সেয়ে মানৱে দ্বিতীয় বিবাহ কৰিবলৈ সাজু হ'ল। মাকেও অ'ত ত'ত বিচাৰ খোচাৰ কৰিলে যদিও ক'তো ছোৱালী নাপালে। জেল খাটি অহা কয়দি এটালৈ ছোৱালী দিবনো কোনে? মানৱৰ বিয়াৰ বাতৰি শুনি চুবুৰীয়াই হাঁহিছিল "দানৱৰ বিয়া"। ইমানদিনে শান্তিক নিজৰ লগত ৰাখি এতিয়া দীপ্তিয়েও তাইক এৰিব নোৱাৰে। যিমান কষ্ট কৰি হ'লেও শান্তিক মাতৃসম মৰম দি পঢ়াই শুনাই ভাল মানুহ হিচাপে গঢ় দিব বুলি তাই ইতিমধ্যে প্ৰতিজ্ঞাবদ্ধ হৈছে। নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি কেৱল শান্তিক লৈয়ে সপোন ৰচিছে। এতিয়া ছোৱালীজনীৰ বাবে মানৱৰ দ্বিতীয় বিবাহৰ কথা শুনি তাই দিশহাৰা হৈ পৰিছিল। নিজৰ অজ্ঞাতে শান্তি জীৱন পাতনিতে ইমান ঘাট প্ৰতি ঘাত পাৰহৈ গ'ল। এতিয়া, নতুন এজনী মানুহৰ হাতত পৰিল আকৌ যদি তাইৰ জীৱনলৈ অমানিশা নামি আহে! আন সৰু ল'ৰা-ছোৱালীয়ে নিজৰ মাকক 'মা' বুলি মতা দেখি শান্তিয়েও দীপ্তিক 'মা' বুলি মাতে; তাই কান্দিলে দীপ্তিৰো চকুলো ওলায়; তেনেস্থলত নিজৰ কোঁচৰ পৰা আনৰ হাতত তাই কেনেকৈ গতাই দিব পাৰিব? এনে কিছুমান চিন্তাই তাইক দুৰ্বল আৰু অস্থিৰ কৰি পেলাইছিল।

অৱশেষত তাই সিদ্ধান্ত লৈ পেলালে, যে তাই মানৱৰ লগতে বিয়াত বহিব। আনৰ বাধা -বিঘিনি ওজৰ-আপত্তিলৈ কাণসাৰ নকৰি, আনকি মাক-দেউতাকৰ বুজনি গালি, শপনি একোৰে ওচৰত হাৰ নামনি তাই নিজেই গৈ মানৱ আৰু তাৰ মাকক বিয়াৰ প্ৰস্তাৱ দি আহিলগৈ। এই কুকৰ্মৰ বাবে ঘৰৰ মানুহে তাইক ছোৱালীজনীৰ সৈতে ঘৰৰ পৰা উলিয়াই দিলে। আনকি দেউতাকে মৰি গ'লেও কেতিয়াও তাইৰ মুখ নাচায় বুলি শপত খালে। দীপ্তিয়ে এইবোৰ বিনা প্ৰতিবাদে সহ্য কৰি গ'ল। মানৱ আৰু তাৰ মাকৰ প্ৰতি ঘৃণাৰ বাহিৰে তাইৰ একো নাছিল। একমাত্ৰ শান্তিক বছোৰাৰ স্বাৰ্থত তাই এনে কৰিলে।

দীপ্তি সিদিনা ৰাতি ছোৱালীজনীক লৈ মানৱৰ ঘৰ পালেগৈ। মানৱে তাৰ প্ৰতি দীপ্তিৰ ইমান মৰম আৰু ত্যাগ দেখি আত্মাহাৰা হৈ পৰিছিল। তাতে তাই ইমান ধুনীয়া। পিছদিনা দুয়োগৈ মন্দিৰত বিয়াহৈ অহাৰ কথা কোৱাত সি সাত জাপ মাৰি ওলাল। বিয়া হৈ গ'ল। 'জুই-পানীৰ মিলনৰ দৰে, সিহঁতৰ যুগ্ম জীৱন আৰম্ভ হ'ল। ইফালে দীপ্তিৰ ঘৰত যেন আগ্নেয়গিৰি উদ্‌গীৰণ হৈছে। দীপ্তিৰ বাবে ঘৰৰ নাক- কাণ কটা গ'ল। দেউতাক মাকে খঙত চাটি ফুটি মৰিব লাগিছে। মানৱলৈ বিয়া হৈ ঘোৰ লজ্জাৰ কাম কৰা বুলি দেউতাকে দীপ্তিক তেজ্যপুত্ৰী কৰি পেলালে। সেইবোৰ গম পাইও তাই নিমাতে সহ্য কৰি গ'ল।

প্ৰথম কেইদিনমান অলপ আদৰ-সাদৰ কৰিলে যদিও, কিছুদিন পিছতে মানৱে পুনৰ আগৰ ৰূপ ল'লে। মমতাক কৰাৰ দৰে দীপ্তিকো সেই একেই ব্যৱহাৰ কৰিবলৈ ধৰিলে। দীপ্তি মমতাৰ দৰে মনে মনে থকা ছোৱালীও নাছিল। মানৱক মানৱ ৰূপ দিবলৈ দীপ্তিয়ে অশেষ চেষ্টা

কৰিছিল। তেনেকৈয়ে ৭ বছৰ গ'ল, মানৰ সলনি নহ'ল। তাৰ মাকো ঢুকাল ইতিমধ্যে। নিতৌৰ দৰে সিদিনাও মানৰে জুৰাত হাৰি, দিঙিলৈকে এসোপা মান গিলি উঠি কাৰোবাৰ লগত কাজিয়া লাগি আহি ৰাতি ঘৰত সোমালহি। হক্ নাই বক নাই ভাত ৰান্ধি থকা দীপ্তিক চুলি কোচাত ধৰি টানি নি তাইক চোতালত ঢেঁকা মাৰি বগৰাই দিলে। শিল এটাত লাগি তাইৰ মূৰ ফাটি তেজ ওলাই গ'ল। শান্তিয়ে আৰু চাই থাকিব নোৱাৰিলে। ৰুদ্ৰ ৰূপ ধৰি তাই দেউতাকৰ হাতৰ পৰা দাখন টানি আনি ওলোটা দেউতাকৰ ডিঙিতে ঘাপ মাৰি দিলে। দীপ্তিৰ চকু থৰ হৈ গ'ল। "কি ক-ৰি-লি মাজনী তই" বুলি কান্দি কান্দি শান্তিক সাৱটি ধৰিলে তাই। দোষ যাৰেই নহওঁক, যিয়েই নহওঁক, হত্যা, আইনৰ দৃষ্টিত অপৰাধেই। পিছদিনা পুলিচ আহিল হত্যাকাৰীক এৰেষ্ট কৰিবলৈ। জীয়েকৰ ভৱিষ্যতটো অন্ধকাৰৰ মাজলৈ ঠেলি নিদি ৰাইজ তথা পুলিচৰ আগত দীপ্তিয়ে নিজকে দোষী সজালে। এই গোচৰত দীপ্তিক দহ বছৰৰ কাৰাদণ্ড বিহা হ'ল।

আজি তাইৰ জীয়েকে মেট্ৰিক পৰীক্ষাত ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান লৈ উত্তীৰ্ণ হ'ল। কপাঁ কপাঁ মাতেৰে তাই শান্তিক সাৱটি ধৰি হুক-হুকাই কান্দি দিলে। শান্তিৰো চকুৰে বান বব ধৰিলে। তাই মাকক লগ কৰিবলৈ থানালৈ আহিছিল। আজিহে তাই গম পালে দীপ্তি যে তাইৰ মাহী মাক।

"তুমি মোৰ মাহীমা হ'ব নোৱাৰা, তুমি মোৰ নিজৰ মা। তুমি মোক নিজতকৈ বেছি ভাল পোৱা মা; তুমি মোৰ মৰমৰ মা।" বুলি কৈ কান্দি কান্দি শান্তিয়ে মাকক থোপা-থুপে চুমা খালে। আজি দীপ্তিৰ কাৰাবাসৰ শেষ দিন। তেওঁক স-সন্মানে মুক্তি দিয়া হ'ল। মাক-দেউতাকেও নিজৰ ভুল স্বীকাৰ কৰি দীপ্তি আৰু শান্তিক পুনৰ আঁকোৱালি ল'লে। 'তাৰোপৰি, দীপ্তিয়ে কৰা মহান ত্যাগৰ কথা এতিয়া পুলিচ অফিচাৰজনে গম পাই চৰকাৰী স্বা-নীয়োজন আঁচনিৰ জৰিয়তে চৰকাৰী সুবিধা মতে তাইৰ জীৱনৰ বাকী কালছোৱা জীয়াই থাকিবলৈ দিহা পৰামৰ্শ দি তাইৰ নতুন জীৱন যাপনৰ বাবে সহায়ৰ হাত আগবঢ়ালে। এতিয়া সিহঁতৰ দুখৰ দিন উকলিল।

পুনৰ এক নতুন দিগন্তৰ উদয় হ'ল। ❐

# আঁকিব ধৰা কেনভাচ্

✍ **মুনমী ৰয়**
দ্বিতীয় যাণ্মাসিক
গণসংযোগ আৰু সাংবাদিকতা বিভাগ

সেইদিনাৰ কথা মনত পৰিলে পাহিৰ হৃদয় আজিও শিঁয়ৰি উঠে। সকলো কথাই জলজল পটপটকৈ ভাহি আছে তাইৰ মন মগজুত কিয় তাইৰ পৰা মাক-দেউতাক আঁতৰি গ'ল, কিয় অৰ্ণৱ আঁতৰি গ'ল। সেই অতীতৰ কথাবোৰ মনত পৰি তাইৰ অন্তৰখন দহিব ধৰিছে আজি। আজি তাইৰ জীৱনৰ প্ৰতিটো কথাই মনত পৰিছে। গুৱাহাটীৰ প্ৰতিষ্ঠিত ব্যৱসায়ী ৰঞ্জিৎ দত্ত আৰু তেওঁৰ পত্নী গৰিমা দত্তৰ একমাত্ৰ কন্যা সন্তান আছিল পাহি। সেইদিনা আছিল মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিন। তাই আশা কৰা ধৰণেই দিষ্টিংচন সহকাৰে সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। সেইদিনা ৰিজাল্ট লৈ আহি থাকোতেই তাইক আৰু দেউতাকক উগ্ৰপন্থীৰ দল এটাই অপহৰণ কৰি নিছিল। সিহঁতৰ মুক্তিপনৰ বাবদ ৫ লাখ টকা আদায় কৰি পাহিক এৰি দিছিল আৰু সেই অপহৰণকাৰী দলটোৱে পাহিৰ দেউতাকক নৃশংসভাৱে হত্যা কৰিছিল। জীৱনত কোনোদিনে দুখ কি বুজি নোপোৱা পাহি এই মৰ্মান্তিক ঘটনাৰ পিছত পাগলীজনী যেন হৈ পৰিছিল। পাহিৰ মুৰত যেন সৰগ ভাগি পৰিছিল। আনন্দমুখৰ পাহিজনী হঠাৎ শুকাই-ক্ষীণাই মৃতপ্ৰায় যেন হৈ পৰিছিল। লাহে লাহে দিন বাগৰিল। প্ৰিয় বান্ধৱী বৰষাৰ পৰিচৰ্য্যাত পাহি লাহে লাহে সুস্থ হৈ পৰিছিল আৰু কলেজত নামভৰ্ত্তি কৰিছিল। এদিন ক্লাছত গৈ থাকোতে পাহিক ল'ৰা কেইজনমানে জোকাইছিল। সেই সময়ত অৰ্ণৱ নামৰ ল'ৰা এজনে আহি তাইক সুৰক্ষা লৈছিল। এটা সময়ত পাহি আৰু অৰ্ণৱৰ গভীৰ প্ৰেমৰ কথা মাকে গম পাইছিল আৰু এইবোৰ কথা গম পোৱাৰ পিছত মাকে পাহিক গালি গালাজ পাৰি খং কৰিছিল। দেউতাকৰ অনুপস্থিতিত মাকে যেন কিংকৰ্তব্য বিমূঢ় হৈ পৰিছিল। পাহিৰ মাকে কি কৰিব একো ভাবি উপায় পোৱা নাছিল। অৱশেষত পাহিক পঢ়ি থকা কলেজখনৰ পৰা আঁতৰাই দূৰৈৰ এখন কলেজত নামভৰ্ত্তি কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাই উচিত হ'ব বুলি মাকে ঠিৰাং কৰিছিল আৰু তেজপুৰৰ এখন কলেজত পাহিক নামভৰ্তি কৰাই দিছিল। এদিনাখন পাহিয়ে তেজপুৰৰ পৰা ঘৰলৈ আহি থাকোতে তাইৰ প্ৰেমাস্পদ অৰ্ণৱক লগ পাইছিল। পুনৰ তাক লগ পাই পাহি উৎফুল্লিত হৈ পৰিছিল যদিও সেই ভাৱটো তাই নেদেখুৱাই অৰ্ণৱৰ ওচৰত অভিমান কৰিছিল। পিছদিনা অৰ্ণৱে পাহিয়ে তেজপুৰৰ পৰা ঘৰলৈ গৈ পাহিৰ মাকক সিহঁত দুজনৰ মনৰ কথা খুলি কম বুলি প্ৰতিশ্ৰুতি দিছিল। পিছদিনাখন অৰ্ণৱে মাক- দেউতাকক লগত লৈ পাহিহঁতৰ ঘৰলৈ গৈছিল। পাহিৰ মাকেও অৱশেষত জীয়েকৰ সুখৰ প্ৰতি লক্ষ্য ৰাখি এই সম্পৰ্কত সন্মতি জনাইছিল। দুইখন ঘৰৰ মানুহৰ আপত্তি নথকাত দুয়োৰে বিয়াখন সুকলমে আৰু আনন্দৰ মাজেৰে পাৰ হৈছিল। বিয়াৰ পিছত অৰ্ণৱে পাহিক আৰু পাহিৰ মাকক গুৱাহাটীলৈ লৈ আহিছিল। পাহিৰ সপোন আছিল অৰ্ণৱ আৰু মাকক সুখত ৰখা।

কিন্তু দাতাই দিলেও বিধাতাই নিদিয়ে। বিধাতাই আঁৰৰ পৰা পাহিলৈ চাই যেন কুটিল হাঁহি মাৰিছিল। বিধাতা যেন তাইৰ ওপৰত ক্ৰোধান্বিত আছিল। দেওবাৰ আছিল সিদিনা। গোটেই পৰিয়ালটো লগ হৈ বজাৰলৈ আহিছিল। পাহিয়ে মাকক আৰু অৰ্ণৱক গাড়ীতে এৰি এখন দোকানলৈ গৈছিল। পাহিৰ মাক আৰু অৰ্ণৱ যিখিনি ঠাইত আছিল সেইখিনি ঠাইত প্ৰচণ্ড শব্দ এটা শুনিবলৈ পোৱা গৈছিল। চকুৰ পচাৰতে কি হ'ল পাহিয়ে একো তলকিবই নোৱাৰিলে। চাৰিওফালে হুৱা দুৱা লাগিব। বোমা বিস্ফোৰণৰ ফলত কলা ধোঁৱাই ঠাইখিনি আৱৰি ধৰিছিল। তাই যেতিয়া সেইখিনি ঠাই পাইছিল তেতিয়ালৈ বহুত দেৰি হৈ গৈছিল। নিষ্ঠুৰ কালে মাক আৰু অৰ্ণৱক চিৰ-দিনৰ বাবে তাইৰ ওচৰৰ পৰা আঁতৰাই লৈ গৈছিল। পাহিয়ে অনুভৱ কৰিলে মূহুৰ্ত্ততে যেন তাই বিচৰণ কৰি থকা সপোনৰ জগতখনত প্ৰচণ্ড ধুমুহা আহিল আৰু তাইৰ সপোন চূৰ্ণ বিচূৰ্ণ কৰি থৈ গ'ল।
আঁকিব ধৰা কেনভাচ্খন যেন উকা হৈ ৰ'ল ।

# আপোনাৰ বিষয়ে আনে কি ভাবে?

**হৰ্ষজিৎ কলিতা**
পঞ্চম যাণ্মাসিক, ইতিহাস বিভাগ

১) দুবছৰমান আগতে পাকিস্তানী পটভূমিত ৰচিত এখন জীৱনমুখী চলচ্চিত্ৰ চোৱাৰ সোভাগ্য হৈছিল। উৰ্দু আৰু নৰৱেৰ স্থানীয় ভাষাত নিৰ্মাণ কৰা তথা নৰৱেৰ পৰিচালক ইৰম হকৰ দ্বাৰা নিৰ্মাণ কৰা চলচ্চিত্ৰখনৰ শিৰোনাম আছিল "What will people say" অসম সন্তান আদিল হুছেইন অভিনীতি চলচ্চিত্ৰখনত উপস্থাপন কৰা হৈছিল আপাত দিশত অত্যন্ত জটিল যেন লগা বিষয়। সেয়া হ'ল দুটা প্ৰজন্মৰ মানসিক সংঘাতৰ বিষয়টো তাত স্পষ্টকৈ উপস্থাপন কৰা হৈছিল কিদৰে মানুহৰ সমালোচনাই, আমাৰ চৌপাশৰ পৃথিৱীখনক সন্তুষ্ট কৰিবলৈ গৈ বা সমাজত ভাল মানুহৰ ইমেজটো বৰ্তাই ৰাখিবলৈ আমি সন্তানৰ লগত কি কি কৰো, আমি নিজৰ লগত কি অন্যায় কৰিব পাৰো এই সকলোবোৰ তাত স্পষ্টকৈ উপস্থাপন কৰা হৈছে। এই চুটি লেখাত চলচিত্ৰখনৰ প্ৰাসংগিকতা এইবাবেই টানি অনা হৈছে যে চলচিত্ৰখনৰ প্ৰতিপাদ্য বিষয়টো সম্প্ৰতি আমাৰ দৈনন্দিনৰ সতে সংপৃক্ত এটা অত্যন্ত সংবেদনশালী বিষয়ৰ ৰূপত পৰিগ্ৰহ হৈ উঠিছে যাক আমি অগ্ৰাহ্য কৰিব নোৱাৰো।

২) এতিয়া আহিছো বিষয়টোৰ আন এটা দৃষ্টিকোণলৈ। আমি বিভিন্ন সময়ত বিভিন্ন মানুহৰ দ্বাৰা গঠিত একো একোখন সমাজত বাস কৰি আহিছো। ইয়াৰ এটা পৰোক্ষ প্ৰভাৱ আমাৰ ব্যক্তিত্ব আৰু চৰিত্ৰত অৱধাৰিতভাৱেই সোমাই পৰিছে।

আমি বহুতেই আমাৰ প্ৰকৃত শক্তি ক্ষমতা আৰু সম্ভাৱনীয়তাৰ বাহিৰৰ অনেক কথাৰে আনৰ আগত কথাৰ মহলা মাৰিবলৈ ভাল পাওঁ। আমি কেৱল বিছাৰো যে আমাৰ প্ৰতিপক্ষই আমাক গুৰুত্ব প্ৰদান কৰক। আমি বেছিভাগেই নিজৰ গুৰুত্ব আদায়ৰ বাবে যিকোনো পৰ্যায়লৈ যাবলৈ প্ৰস্তুত। এই পৃথিৱীৰ প্ৰতিজন ব্যক্তিয়েই একক আৰু অনন্য। এই কথাটো আমি প্ৰতিনিয়ত মনত ৰাখি আত্ম বিশ্বাসৰ কচৰৎ আৰম্ভ কৰাটো শ্ৰেয়। আমাৰ ওচৰত যি আছে সেয়া আন কাৰো ওচৰত নাই, এই পৃথিৱীত আমি সম্পূৰ্ণৰূপে একক এক বিশেষ। এই কথা অনুধাৱন কৰাটোও দৰকাৰী। তদুপৰি আমাৰ নিজৰ বিষয়ে আটাইতকৈ বেছিকৈ জনা ব্যক্তিজন আমি নিজেই। আমি নিজৰ বিষয়ে যিমানখিনি জানো আমাৰ বিষয়ে অইনে সিমানখিনি নাজানে। অইনে আমাৰ বিষয়ে যি জানে সেয়া আমাৰ প্ৰতিপক্ষৰ সন্মুখত আমি প্ৰদৰ্শন কৰা ক্ৰিয়াকলাপ আৰু প্ৰতিপক্ষৰ অনুমানভিত্তিক এটা আংশিক সত্য সিদ্ধান্তহে হোৱাৰ সম্ভাৱনা প্ৰবল।

আমি নিজৰ বিষয়ে কি ভাবো আমাৰ বাবে তাতকৈ গুৰুত্বপূৰ্ণ একো নাই আৰু থাকিব নোৱাৰে। আমাৰ লক্ষ্য হোৱা উচিত এটা সুস্থ সুস্থিৰ মহাজীৱন কাৰোবাক আকৰ্ষিত কৰিবলৈ, কাৰোবাক ভাল লগাবলৈ, কাৰোবাৰ অন্তৰত মিছাকৈ ভাল হৈ থকাৰ বাবে আমাৰ কোনো প্ৰয়োজন নাই। আমাৰ সন্মুখত মুক্ত হৈ থকা আমাৰ

বিবেকৰ আদালত খন আমাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ। বিবেকৰ আদালতত যদি আমি কোনোদিন দোষী নোহোৱাকৈ কৰি অহা ভাল কামবোৰৰ সন্তুষ্টিৰে জীয়াই থাকিব পাৰো তেন্তে আমাৰ বিষয়ে আনে কি ভাবে তাৰ কি প্ৰয়োজন আছে। বিদ্বানসকলে কোৱাৰ নিচিনাকৈ আমি যদি আমাৰ বিষয়ে আনে কি ভাবে, আনে আমাৰ বিষয়ে কি মুখৰোচক আলোচনা কৰে সেই চিন্তাৰ পৰা সমুলি আমাক আতৰত ৰাখিব পাৰো তেন্তে আমি ইতিমধ্যে সফলতাৰ প্ৰথমটো ঢাপ সুখ্যাতিৰে পাৰ কৰিছো।

গতিকে, হে প্ৰিয় পাঠক আমি এনেকৈ ভাবো আহক যে মই মোৰ বিষয়ে কি ভাবো মোৰ জীৱনত সেয়াহে গুৰুত্বপূৰ্ণ। অইনে মোৰ বিষয়ে কি কয় কি ভাবে সেই কথাটোৰ লগত মোৰ ব্যক্তিগত জীৱনৰ কোনো সম্পৰ্ক কেতিয়াও থাকিব নোৱাৰে। ❐

# জম্বি (Zombie) ৰহস্য

✍ **সুস্মিতা শৰ্মা**
পঞ্চম যান্মাসিক
গণসংযোগ আৰু সাংবাদিকতা বিভাগ

জম্বি কোনো ভূত প্ৰেত অথবা পিশাছৰ সমষ্টি নহয়, বিজ্ঞানে ৰহস্য উলিয়াব নোৱাৰা কিছুমান ভাইৰাছৰ দ্বাৰা আক্ৰান্ত ৰোগীহে। যিটো আমি সাধাৰণতে কিতাপ, চিনেমা, ভিডিঅ' গেমত পাওঁ যদিও বাস্তৱ জীৱনতো জম্বি অস্তিত্ব অসম্ভৱ নহয়। এইটো বিষয়ে সময়ে সময়ে মানুহক ভাবিবলৈ বাধ্য কৰি আহিছে।

দল বান্ধি আহি থকা কিছুমান আন সাধাৰণ মানুহক খাই আছে, মাৰি পেলাইছে অথবা চকুবোৰ ঘুকুটি উলিয়ায় আনিছে। কেতিয়াবা এনেকুৱা হ'ব পাৰে যে এটা বিষাক্ত ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈ একাংশই শৰীৰ আৰু মগজুৰ ভাৰসাম্য হেৰুৱাই পেলায়। বিজ্ঞানীসকলে পৰীক্ষা-নিৰীক্ষা চলাই কিছুমান এনেকুৱা ভাইৰাছৰ বিষয়ে গম পাইছে যে এই ভাইৰাছবোৰে এটি জীয়াই থকা সুস্থ সবল জীৱক এটা আধামৰা গোলামলৈ পৰিবৰ্তন কৰি সম্পূৰ্ণ জীৱটোক ভাইৰাছটোৱে নিয়ন্ত্ৰণ কৰিব পাৰে। যেনে— Ophiocorddyceps unilateralis নামৰ ভাইৰাছবিধ অথবা Zombie Fungus যিটোৱে পৰুৱাৰ দেহত সোমাই বংশবৃদ্ধি কৰে, সিহঁতৰ দেহ আৰু মগজু নিজৰ নিয়ন্ত্ৰণত আনে। তাৰ পিছত পৰুৱাবোৰে এনেকুৱা কিছুমান কাম কৰিবলৈ আৰম্ভ কৰে যে সিহঁতে নিজেই মৃত্যুমুখত পৰিব লগা হয়। কিন্তু মানৰ দেহ পৰুৱাৰ দেহতকৈ ডাঙৰ আৰু শক্তিশালী হোৱা বাবে মানুহক ই আক্ৰমণ কৰিব নোৱাৰে। কিন্তু এইটো স্বীকাৰ কৰিব লাগিবই যে এনেকুৱা ভাইৰাছ পৃথিৱীত মজুত আছে।

এনেকুৱা ভাইৰাছে যদি মানুহৰ দেহত প্ৰৱেশ কৰি মানুহক নিজৰ বশৱৰ্তী কৰি পেলাই পৰিস্থিতি খুব ভয়ানক হৈ পৰিব। Catatonic schizophrenia নামৰ এবিধ ৰোগ আছে য'ত মানুহে গম নাপায় যে তেওঁ কি কৰিছে লগতে বহুত কষ্ট কৰি থকা অনুভৱ কৰে। তেওঁ বুজি নাপায় যে তেওঁ প্ৰকৃততে কি? যাৰ এইটো ৰোগ হয় তেওঁ নিজকে মৃত বুলি ধৰি লয়। ৰোগীজনে মনতে কিছুমান কথা শুনা পাই। যিবোৰ কথাই তেওঁক মৃত বুলি ভাবিবলৈ বাধ্য কৰে। কিছুমানে নিজৰ মৃত্যু হোৱা বুলি ভাবি খাব ল'ব এৰি দিয়ে আৰু আন কিছুমানে নিজৰ ওপৰতে আক্ৰমণ কৰে।

২০০৮ চনত বৃদ্ধা এগৰাকীক হস্পিতালত ভৰ্তি কৰোৱা হৈছিল। তেওঁ সাৰ পাই কৈছিল যে "মোৰ ইতিমধ্যে মৃত্যু হৈছে আৰু মই নিজৰ গাত মৃতদেহৰ গোন্ধ পাইছোঁ। নিজকে পচা মাছ যেন অনুভৱ হৈছে। মোক হস্পিতালৰ সেই ৰুমটোলৈ লৈ যোৱা য'ত মৃতদেহ ৰখা হয়। মই তাতে থাকিবলৈ বিচাৰো"। NCBIৰ চৰকাৰী ৱেবচাইটত এনেকুৱা আৰু বহুত ঘটনাৰ বিষয়ে দেখিবলৈ পোৱা যায়। "The Lancent" নামৰ এখন ১৮ শতিকাৰ পৰা চলি থকা চিকিৎসা সম্বন্ধীয় আলোচনীত তিনিটা প্ৰকৃত জম্বিৰ ঘটনাৰ ওপৰত অধ্যয়ন কৰিছিল। এবিধ ৰোগ আছে Running Amok, Running Amok নামৰ ৰোগবিধ হ'লে মানুহে মগজুৰ নিয়ন্ত্ৰণ হেৰুৱাই আনৰ ওপৰত খোৱা কামোৱা কৰিবলৈ ধৰে। এইবোৰ ঘটনাৰ দ্বাৰা আমি বুজিব পাৰোঁ যে মানুহৰ মগজুৰ সকলো ৰহস্য

আমি এতিয়াও ভালদৰে গম পাবলৈ বহুত বাকী। Running Amok ৰোগটো খুব কম হয় আৰু ই সংক্ৰমক ৰোগ নহয়। USACOD য়ে ও এটা প্ৰৱন্ধ লিখিছিল য'ত লিখা হৈছিল যে Zombie Appoclios হয় আমি কেনেদৰে সুৰক্ষিত হৈ থাকিম। কি কৰিব লাগিব ? আৰু যদি কেতিয়াবা Zombie Appoclios আহি যায় সেই প্ৰৱন্ধবোৰ চাই আমি ব্যৱস্থা ল'ব লাগিব।

প্ৰকৃতিয়ে সকলো সময়তে কিবা নহয় ভাইৰাছ বনাই থাকে। তাৰ বেছিভাগে আমাক অপকাৰ নকৰে। কিন্তু এনেকুৱা মহামাৰী ভাইৰাছো থাকে যে সেই বিলাকৰ দ্বাৰা আক্ৰান্ত হ'লে পৃথিৱী এক বৃহৎ বিপদৰ সন্মুখীন হ'ব লাগিব। Zombie বোৰেও গম পাব সিহঁতে কিন্তু নিজকে নিজে নিয়ন্ত্ৰণ কৰিব নোৱাৰিব আৰু নিজৰেই পৰিয়াল প্ৰতিজনক খাবলৈ ধৰিব। আমি কোনেও এনেকুৱা ভাইৰাছ পৃথিৱীলৈ অহাতো কেতিয়াও নিবিচাৰো। কিন্তু আমি এয়া অসম্ভৱ বুলিও ক'ব নোৱাৰো। কেতিয়া কি ভাইৰাছ সৃষ্টি হয় কোনেও নাজানে। সেয়ে আমি অহাৰ আগতেই সৰ্তক হ'ব লাগিব আৰু পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ নিজক সাজু কৰিব লাগিব। ❐

উৎস ঃ ইন্টাৰনেট, আলোচনী

# ভট্টদেৱ বিশ্ববিদ্যালয়ত বিজ্ঞান প্ৰকল্প সম্পাদনাৰ অনুভৱ

✍দেনিশা শৰ্মা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

वक्रतुण्ड महाकाय सूर्यकोटि समप्रभ ।
निर्विघनं कुरुमेदेव सर्व कार्येषु सर्वदा ॥

বিজ্ঞান বিভাগৰ ছাত্ৰী হিচাপে মই ব্যৱহাৰিক কাম কাজৰ প্ৰতি মই যথেষ্ট আগ্ৰহী। সেয়ে আগতে কোনো প্ৰকল্প কৰি পোৱা নাছিলো বাবে, কেনেবাকৈ কৰিব পাৰি নেকি তাৰেই সুৰুঙা বিছাৰি আছিলো।

ভগৱানৰো হয়তো অভিলাষ আছিল-যোৱা ২০১৯-২০২০ বৰ্ষত, কৰোণা মহামাৰীয়ে দেশ জুৰুলা কৰাৰ পিছত, ভয়াবহতা অন্ত নৌপৰোতেই চৰকাৰৰ নিৰ্দেশ মৰ্মে ২০২০ চনৰ শেষভাগলৈ কোনোমতে স্কুল-কলেজ বোৰৰ দুৱাৰ খোল খালে। যথাবিধি আমাৰ ভট্টদেৱ বিশ্ববিদ্যালয়তো পৰোক্ষ শিক্ষাব্যৱস্থাৰ অন্ত পৰি প্ৰত্যক্ষ শিক্ষা আংশিক ভাৱে আৰম্ভ হ'ল ১২ অক্টোৱৰ তাৰিখে, কোভিড পৰীক্ষা গ'ল ১৩ তাৰিখে। এনেতে ৬ নৱেম্বৰৰ দিনাখন প্ৰাণীবিজ্ঞানৰ অধ্যাপক সন্মানীয় ড° অক্ষয় কুমাৰ হালৈ ছাৰৰ দ্বিতীয়তো ক্লাছ পালো আমি, (একাদশ শ্ৰেণীৰ 'ক' শাখাই)। ছাৰে ক্লাছটোৰ শেষত আটাইকৈ উদ্দেশ্য কৰি এটা সুখবৰ দিলে যে, তেওঁ ইন্টাৰনেটত পোৱা এটা সূত্ৰ মতে, অসমৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা প্ৰতিবছৰে অনুস্থিত কৰাৰ দৰে এইবাৰো তাৰে পদাৰ্থ বিজ্ঞান বিভাগৰ HOD ড° কিশোৰ কুমাৰ বৰুৱাৰ তত্ত্বাৱধানত "Regional Innovation Science Hub for Innovators" সংস্থাৰ অধীনত এটা বিজ্ঞান প্ৰকল্পৰ আয়োজন কৰিছে। এই প্ৰকল্পটো ছাত্ৰ-ছাত্ৰীৰ মেধাবৰ্ধন তথা ভৱিষ্যৎ বিকাশৰ বাবে অতিকৈ উৎকৃষ্ট আৰু সেয়ে কোনো ইচ্ছুক ছাত্ৰ বা ছাত্ৰীয়ে ইয়াত অংশ গ্ৰহণ কৰিব পাৰে। তদুপৰি কোনোৱে এই প্ৰকল্পটো প্ৰাণীবিজ্ঞান বিষয়ত কৰিব বিছাৰিলে ছাৰে নিজেই তত্ত্বাৱধানৰ দায়িত্ব ল'ব বুলিও প্ৰতিশ্ৰুতি দিলে।

প্ৰকল্পটোৰ সীমা আছিল নৱম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীলৈ। আমাৰ শ্ৰেণীৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰী আগবাঢ়ি আহিছিল যদিও তাৰ মাজৰ পৰা কেৱল মই প্ৰকল্পটোৰ বাবে কাম কৰিবলৈ হাতত মই প্ৰকল্পটোৰ বাবে কাম কৰিবলৈ হাতত ল'লো। প্ৰথম অৱস্থাত, ছাৰৰ পৰা এই সম্পৰ্কে কিছু কথা জানি লৈ মই মনত স্থিৰ কৰিব পৰা নাছিলো যে বিজ্ঞানৰ কোনটো বিষয়ৰ ওপৰত প্ৰকল্পৰ কাম কৰিম। কিন্তু শ্ৰদ্ধাৰ হালৈ ছাৰে পিছদিনাখন মোক লগ ধৰি জীৱবিজ্ঞানৰ প্ৰকল্প সম্পৰ্কে কিছুমান কথা ইমান ধুনীয়াকৈ বুজাই দিলে যে মই জীৱবিজ্ঞান বিষয়ত মোৰ প্ৰকল্পৰ কাম আগুৱাই নিবলৈ উৎসাহিত হ'লো। সেই মূহুৰ্ততে মনলৈ আহিল-অসম লতা-পাতেৰে ভৰা। আমাৰ অসমীয়া সমাজত, প্ৰধানকৈ গ্ৰাম্য অঞ্চলত আদি পূৰ্বৰ পৰাই মানুহৰেই হওঁক বা জন্তুৰেই হওঁক নানা ধৰণৰ ৰোগত বিভিন্ন ঔষধি উদ্ভিদ ব্যৱহৃত হৈ আহিছে। মোৰ গাওঁত, আৰু ওচৰ পাজৰৰ বহু ঠাইত পৰম্পৰাভাৱে যুগ যুগ ধৰি অসংখ্য বনৌষধ ব্যৱহাৰ কৰি নানা ৰোগ নিৰাময় কৰাত স্থানীয় লোকসকল সফল হৈ আহিছে। এনে এক পৰিৱেশত ডাঙৰ-দীঘল হৈ আজিলৈকে মই নিজেও নানা গছ-লতা-বনৰ পাত, শিপা আদি ব্যৱহাৰ কৰি বহুবাৰ অসুখ-বিসুখৰ পৰা উপশম পোৱাৰ অভিজ্ঞতাৰে পুষ্ট। আজি-কালি

প্ৰায়ভাগ মানুহেই যিহেতু দেহৰ ছালৰ প্ৰতি যথেষ্ট সচেতন, কিন্তু বৰ্তমানৰ প্ৰদূষণময় পৰিৱেশ তথা ভেজাল খাদ্যৰ বাবে চৰ্মৰোগ এক সাধাৰণ সমস্যাত পৰিণত হৈছে। বহুতো মানুহে নানা ৰাসায়নিক দ্ৰব্য নাইবা ঔষধ ব্যৱহাৰ কৰিও এই ৰোগ নিৰাময়ত বিফল হৈছে। সেয়ে মই ভাবিলো যে, আমাৰ থলুৱা অঞ্চলত উপলব্ধ, চৰ্মৰোগ নিৰাময়ত অতি সফলভাৱে ব্যৱহৃত উদ্ভিদবোৰ সীমিত সংখ্যক জনসাধাৰণৰ মাজতহে পৰিচিত, কিন্তু উদ্ভিদবোৰৰ উপকাৰিতা যদি বৈজ্ঞানিকভাৱে প্ৰমাণ কৰি জনসাধাৰণ মাজত প্ৰচাৰ কৰা হয় তেন্তে মানুহবোৰে এই ভয়াবহ সমস্যাৰ পৰা সকাহ পাব আৰু লগতে প্ৰকৃতিৰ গছ-লতা সংৰক্ষণতো মানুহৰ ধাউতি বাঢ়িব।

এই উদ্দেশ্য সফল কৰাৰ মানসেৰে মোৰ গাওঁৰ আৰু ওচৰ পাজৰৰ কেইখনমান গাওঁত অনুসন্ধান কৰি চৰ্মৰোগ প্ৰতিৰোধী বহুতো উদ্ভিদৰ মাজৰ পৰা চাৰিডাল উৎকৃষ্ট উদ্ভিদ বাছি লৈ সিবিলাকৰ ওপৰত বৈজ্ঞানিক পদ্ধতিৰে কিছুমান ৰাসায়নিক যৌগৰ উপস্থিতি সম্বন্ধে পৰীক্ষা কৰিম বুলি প্ৰস্তাৱ পত্ৰ এখন ইন্টাৰনেটৰ মাধ্যমেৰে ২৩ নৱেম্বৰ তাৰিখে তেজপুৰ বিশ্ববিদ্যালয়লৈ পঠিয়াই দিয়া হ'ল। মোৰ প্ৰকল্পৰ বিষয়বস্তু আছিল। "Qualitativ Examination of Bioactive Compounds from some Indigenous Medicinal Plants Used to Cure Skin Deseases in Some Selected Rural Areas of Mushalpur Sub-Division Under Baksa District of Assam".

সুখৰ কথা যে মোৰ প্ৰস্তাৱটো প্ৰকল্প সমিতিয়ে সাদৰেৰে গ্ৰহণ কৰিলে ইয়াৰ বাবে ড° হালৈ ছাৰৰ উপৰ্য্যুপৰি সহায় আৰু দিহা-পৰামৰ্শ মতে মই নিৰ্বাচন কৰা গছকেইডাল (খৰ পাত, অমৰ লতা, কেহৰাজ আৰু জাৰ্মানি লতা) ৰ পাত সংগ্ৰহ কৰি আমাৰ প্ৰাণীবিজ্ঞান বিভাগৰ গৱেষণাগাৰত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি প্ৰতিডালৰ বাবে alkaloid, phenolik compound, tannins, flavonoids, saponins, protein, carbohydrates আৰু glycosides ৰ উপস্থিতি পৰীক্ষা কৰা হৈছিল। কাৰণ, এই যৌগবোৰৰ আমাৰ চৰ্মৰোগ প্ৰতিৰোধ কৰিব পৰা যথেষ্ট ক্ষমতা আছে। যেনে- flavonoid এ সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰ কুপ্ৰভাৱৰ পৰা আমাৰ ছালক ৰক্ষণাৱেক্ষণ দিয়াৰ দৰে, protein এ ক্ষত কোষবোৰৰ মেৰামতি কৰে, carbohydrate আমাৰ শৰীৰৰ মূল শক্তিৰ উৎস হোৱাৰ উপৰিও ভাইৰাছ, বেক্টেৰীয়া, ভেকুৰ আদিৰ আক্ৰমণৰ পৰা ছালক সুৰক্ষা দিয়ে তেনেদৰে আনবোৰ যৌগই ও আমাৰ দেহত নানা ধৰণে উল্লেখযোগ্য দায়িত্ব বহন কৰি থাকে। এই যৌগবোৰৰ বেছি ভাগৰেই উপস্থিতি পোৱা গৈছে পৰীক্ষাবোৰত। প্ৰকল্পৰ ফলাফল ২৮ জানুৱাৰী তাৰিখে তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰকল্প সমিতিলৈ পঠিওঁৱাৰ পিছত, ২ ফেব্ৰুৱাৰীত আমাৰ ৮ গৰাকী নিৰ্বাচিত প্ৰাৰ্থী আৰু প্ৰকল্পটোৰ সমন্বয়ক ড° কিশোৰ কুমাৰ বৰুৱা ছাৰৰ লগত ইন্টাৰনেটৰ মাধ্যমেৰে সন্মিলন হৈছে আৰু এনেদৰেই মই মোৰ প্ৰকল্পটোৰ কামখিনি সুকলমে সমাপ্ত কৰি জয়যুক্ত হ'বলৈ সক্ষম হ'লো।

এই কামখিনি কৰি মই যথেষ্ট আনন্দিত হোৱাৰ উপৰিও, ব্যৱহাৰিক তথা বৈজ্ঞানিক কাম-কাজৰ বিষয়ে বহুখিনি জ্ঞান পালো আৰু লগতে, পিছলৈও এনেকুৱা প্ৰকল্প নাইবা বিজ্ঞানৰ যিকোনো ব্যৱহাৰিক কামৰ বাবে উৎসাহিতও হৈছো। কিয়নো, এই কামখিনি কৰাৰ কাৰণে মই বহুতো ৰাসায়নিক পদাৰ্থ, সা-সৰঞ্জাম আৰু যন্ত্ৰপাতিৰ সৈতে চিনাকী হ'ব আৰু ব্যৱহাৰ কৰিব পাৰিলো। ভাৰতৰ মহামহিম প্ৰাক্তন ৰাষ্ট্ৰপতি তথা মহান ক্ষেপনাস্ত্ৰবিজ্ঞানী ড° এ.পি.জে আব্দুল কালামো কোৱা "জটিল কামতেই বেছি আনন্দ পোৱা যায়। সেয়ে সফলতাৰ আনন্দ লাভ কৰাৰ বাবে মানুহৰ কাম জটিল হোৱা উচিত।" এই মহান বাণীক আদৰ্শ কৰি লৈয়েই যিমান কষ্টেৰে হ'লেও প্ৰকল্পটো সম্পন্ন কৰিবলৈ মই যৎপৰোনাস্তি চেষ্টা কৰিছিলো। প্ৰকল্পটোত মই কৰা কাম খিনি অৰ্থাৎ ৰাসায়নিক বিক্ৰিয়াবোৰৰ ফলাফলসমূহৰ যোগেদি বৈজ্ঞানিক ভিত্তিত

এই গছবোৰৰ উপযোগীতা প্ৰমাণিত আৰু প্ৰচাৰিত তথা প্ৰাচুৰ্য্য বৃদ্ধি হোৱাটো আশা কৰো। ইয়াৰ দ্বাৰা এনেকুৱা ঔষধি উদ্ভিদ বিলাকৰ উপযোগীতা বৃদ্ধি হোৱাৰ উপৰিও মোৰ ফলাফল সমূহে পৰৱৰ্তি কালত নতুন গৱেষকৰ বাবে যথেষ্ট সহায়ক হ'ব বুলি মই আশা কৰো। এনেকুৱা প্ৰকল্পত যোগদান কৰিলে ছাত্ৰ-ছাত্ৰীৰ বহুতো জ্ঞান আহৰণ হোৱাৰ উপৰিও বিজ্ঞানৰ প্ৰতি ধাউতি বাঢ়িব। আৰু ছাত্ৰ-ছাত্ৰীবোৰ ব্যৱহাৰিক তথা গৱেষণামূলক কামত নিয়োজিত হ'লেহে অজ্ঞানতাৰ কুহেলিকা ফালি প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত আমাৰ দেশ তথা মানৱ জাতি আগবাঢ়ি যাব। মই সম্পন্ন কৰা সমগ্ৰ প্ৰকল্পটোৰ সম্পূৰ্ণতাৰ আৰত আছে আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° অক্ষয় কুমাৰ হালৈ ছাৰ। তেওঁৰ পৰিচালনা, অক্লান্ত পৰিশ্ৰম তথা সহায় অবিহনে মোৰ প্ৰকল্পটোৰ কামখিনি নিশ্চয়কৈ সম্পূৰ্ণ কৰিব নোৱাৰিলো হেতেন, কাৰণ এনেকুৱা এটা প্ৰকল্পৰ কামত মই এইবাৰ প্ৰথমবাৰৰ বাবে নিয়োজিত হৈছো। এই সুবিধাকণ কৰি দিয়া বাবে ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। তদুপৰি মোৰ প্ৰকল্পটোৰ কামখিনি কৰি থকা দিনকেইটাত আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ স্নাতক শাখাৰ পঞ্চম যান্মাসিকৰ ছাত্ৰী ৰিমাশ্ৰী তালুকদাৰ বাইদেউয়ে স্ব-ইচ্ছাই মোক বহুখিনি সহায় কৰি দিয়াৰ বাবে তেওঁৰ ওচৰতো মই কৃতজ্ঞ।

এখন আগশাৰীৰ তথা উচ্চস্তৰ সম্পন্ন শিক্ষানুস্থানত অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা এই প্ৰকল্পটোৰ যোগেদি মই গভীৰভাৱে বুজি উঠিলো। সীমিত পৰিমাণৰ পণ্য ব্যৱহাৰ কৰিয়েই মই এই কামখিনি সুকলমে সমাপ্ত কৰিবলৈ সক্ষম হৈছো। তথাপি, এই ভট্টদেৱ বিশ্ববিদ্যালয়ৰ গৱেষণাগাৰ বোৰত যিমানখিনি সা-সুবিধা তথা শিক্ষাগুৰুসকলৰ সহায়-সহযোগীতা পাবলৈ সক্ষম হৈছো, সেয়া অন্য শিক্ষানুস্থানত হয়তো নাপালোহেতেন। সেয়ে দেউতাই মোক কয়- 'সদায় ডাঙৰ গছৰ তলতহে আশ্ৰয় ল'ব লাগে'। আমাৰ বিশ্ববিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে যেন ব্যৱহাৰিক তথা প্ৰতিভামুখী কামৰ বাবে দ্ৰুতভাৱে অগ্ৰসৰ হয় তাৰেই আশা কৰো ।

ॐ सहनाववतु सहनौभुनक्तु
सहवीर्य करवावहै, तेजस्विना
वधीतमस्तु मां विद्विषावहै
ॐ शान्तिः शान्तिः शान्तिः।

::::

# গণসংযোগ আৰু সাংবাদিকতা কি ?

✍ **ভাৰ্বিনা ডেকা**
২য় ষাম্মাসিক
গণসংযোগ আৰু সাংবাদিকতা বিভাগ

আজিৰ তাৰিখত এটা অতি প্ৰয়োজনীয় বিষয় হ'ল গণসংযোগ আৰু সাংবাদিকতা। সঁচা অৰ্থত গণসংযোগ আৰু সাংবাদিকতা মানে কি ? গণসংযোগ আৰু সাংবাদিকতা কৰি অকল সাংবাদিকতাৰ দিশতে যাব পাৰি নেকি ? এনেধৰণৰ বহু প্ৰশ্নৰ দোমোজাত মইও পৰিছিলোঁ। ২০২০ চনত মই সাংবাদিকাৰ অধ্যয়ন কৰিবলৈ ভট্টদেৱ বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিলোঁ। নামভৰ্ত্তি কৰাৰ পিছত এটাই উদ্দেশ্য আছিল সাংবাদিকতা বিষয়ক বস্তুবোৰ জনা আৰু ভৱিষ্যত এজন নিঃস্বাৰ্থ সাংবাদিক হোৱা। তেনেদৰেই ক্লাছবোৰ আৰম্ভ হ'ল যিহেতু তেতিয়া ক'ৰোণা মহামাৰীৰ ত্ৰাস চলি আছিল (এতিয়াও আছে)। সেইকাৰণে দুমাহ মান আমি অনলাইনত ক্লাছ কৰিব লগা হৈছিল। লাহে লাহে পৰিস্থিতি অলপ ভাললৈ অহাত আমি অনলাইনৰ পৰা অফলাইন ক্লাছ কৰিব সুযোগ পালোঁ। এফালে প্ৰথমবাৰ বিশ্ববিদ্যালয়ৰ দুৱাৰদলিত ভৰি দিয়াৰ আনন্দ আৰু আনফালে নতুন বিষয় শিকাৰ প্ৰতি আগ্ৰহ। ক্লাছবোৰ আৰম্ভ হ'ল— লাহে লাহে গম পালোঁ। গণসংযোগ আৰু সাংবাদিকতা কৰিলে অকল সাংবাদিকতাৰ দিশে খোল নাখায়, খোল খায় আন বহুতো দিশ। সাংবাদিকতা পাঠ্যক্ৰমৰ মূল বিষয় বস্তুয়ে হ'ল ৰিপোটিং আৰু ইডিটিং। আনহাতে গণসংযোগত ৰিপোটিং, ইডিটিং, এইবোৰ বিষয়বস্তুৰ উপৰিও জনসংযোগ, বিজ্ঞাপন, মিডিয়া সংক্ৰান্তীয় আইন, ৰেডিঅ', টিভি সাংবাদিকতা, ফটোগ্ৰাফী আৰু চলচ্চিত্ৰৰ দৰে সুন্দৰ বিষয়সমূহো পঢ়োৱা হয়। অৰ্থাৎ ফটোগ্ৰাফীৰ পৰা আৰম্ভ কৰি মিডিয়া সংক্ৰান্তীয় আইনলৈকে গণসংযোগ আৰু সাংবাদিকতাই সকলো বিষয় সামৰি লয়। আজিৰ তাৰিখত এইবিলাক বিষয়বস্তু চাহিদা বেছি। মই জনাত গণসংযোগ আৰু সাংবাদিকতা কৰি কোনো ছাত্ৰ-ছাত্ৰীয়ে ঘৰত বহি থাকিব লগা নহয়। ইলেক্ট্ৰনিক মিডিয়াৰ কাৰ্যসূচী সম্প্ৰচাৰক, নিউজ ৰিডাৰ, নিউজ ৰিপোৰ্টাৰ, বাতৰি সম্পাদক, ফটোগ্ৰাফৰ আদি এনেধৰণৰ পদৰ বাবে গণসংযোগ আৰু সাংবাদিকতা ছাত্ৰ-ছাত্ৰীক অলপ বেছি অগ্ৰাধিকাৰ দিয়া দেখা যায়। বৰ্তমান সময়ত বিভিন্ন বিষয়ত বিশেষভাৱে সাংবাদিকতা কৰা দেখা যায় তাৰ ভিতৰত কিছুমান হ'ল—

**<u>চিত্ৰ সাংবাদিক—</u>** এই ধৰণৰ সাংবাদিক হ'বলৈ বিভিন্ন ধৰণৰ কেমেৰা সম্পৰ্কীয় জ্ঞান থাকিব লাগিব। লেন্স কেমেৰাৰ খেলবোৰ জানিব লাগিব। বৰ্তমান সময়ত ফটো সাংবাদিকতাৰ চাহিদা আমাৰ সমাজত বৃদ্ধি হোৱা দেখা পোৱা গৈছে।

**<u>তেনেদৰে, ক্ৰীড়া সাংবাদিক—</u>** এই সাংবাদিকতা যিকোনো সংবাদ মাধ্যমৰ এটি বিশেষ অংগ। খেলাৰ জ্ঞানৰ লগে লগে খেলাৰ ৰাজনৈতিক প্ৰভাৱ বা ব্যক্তিগত জীৱনৰ সম্পৰ্কেও ভালেখিনি জ্ঞান থকা জৰুৰী।

এজন সাংবাদিকৰ ভালেমান দায়িত্ব থাকে। বাতৰি এটাৰ সম্পূৰ্ণ ধাৰণা থাকিব লাগিব। তৎক্ষণাত প্ৰশ্ন কৰাৰ দক্ষতা, বাতৰি সম্পাদনা, কেমেৰাৰ কাম আদিও বহুখিনি জানিব লগা হয়। বৰ্তমান নিউজ ব্যৱস্থাৰ সংখ্যাও

বৃদ্ধি হোৱা দেখা পোৱা গৈছে। বিভিন্ন নিউজ প’ৰ্টেলৰ আগমনত অনলাইন সাংবাদিকতাৰ সুযোগ বহুখিনি বৃদ্ধি হৈছে।

সাংবাদিক হ’বলৈ সকলো বিষয় জনাৰ হেঁপাহ বা বহু বিষয়ৰ জ্ঞান থকাটো দৰকাৰ। পৰিশ্ৰম কৰাৰ ক্ষমতা থাকিব লাগিব। জৰুৰী বাতৰি সম্প্ৰচাৰৰ পৰা বিনোদনৰ বাতৰি সম্প্ৰচাৰৰ সংমিশ্ৰণ ঘটাব লাগিব।

অসমৰ বিভিন্ন বিশ্ববিদ্যালয়ত এই বিষয়তো পঢ়াৰ সুবিধা আছে— তেজপুৰ বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু কটন বিশ্ববিদ্যালয়ত গণসংযোগ আৰু সাংবাদিকতা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী অথবা ডিপ্লমা লাভ কৰাৰ সুবিধা আছে। তাৰোপৰি ভট্টদেৱ বিশ্ববিদ্যালয়, বঙাইগাঁও মহাবিদ্যালয় আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয় আদিত এই বিষয়ত স্নাতক পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা আছে।

ইয়াৰ উপৰিও, ভাৰতীয় গণ- সংযোগ প্ৰতিষ্ঠান (Indian Institute of mass communication), জামিয়া মিলিয়া ইছলামীয়া বিশ্ববিদ্যালয়, হায়দৰাবাদ বিশ্ববিদ্যালয়, কাশী হিন্দু বিশ্ববিদ্যালয়, কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয় ইত্যাদি আমাৰ দেশৰ শীৰ্ষ স্থানৰ গণ-সংযোগ আৰু সাংবাদিকতা অধ্যয়নৰ শিক্ষানুষ্ঠান।

বিভিন্ন ধৰণৰ সাংবাদিকতা উপৰিও চৰকাৰী / বেচৰকাৰী প্ৰতিষ্ঠানৰ জনসংযোগ বিষয়া, মেডিয়া গৱেষক, টেলিভিছন/ৰেডিঅ’ৰ বিজ্ঞানপন নিৰ্মাতা, বোলছবি নিৰ্মাতা, ৰেডিঅ’ জকি (RJ) ইত্যাদি হোৱাৰো বাট মুকলি কৰি দিয়ে এই পাঠ্যক্ৰমে। ইয়াৰ উপৰিও কোনোবাই বিচাৰিলে এই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী তথা ডক্টৰেট ডিগ্ৰী লৈ পৰৱৰ্তী সময়ত শিক্ষকতাও কৰিব পৰে।

আজি মই এটা বিষয় পঢ়িব আহি ইমানখিনি বিষয়বস্তুৰ অভিজ্ঞতা লৈ ওলাই যাম। মই এতিয়া গৰ্ব অনুভৱ কৰোঁ যে মই গণসংগোগ আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰী। ❐

# অসমীয়া সংবাদ মাধ্যমৰ প্ৰতি যুৱ-প্ৰজন্মৰ মনোভাৱ
## (ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জৰীপ)

✍ **ৰাণা দাস**
২য় যান্মাসিক
গণসংযোগ আৰু সাংবাদিকতা বিভাগ

এইজৰীপটো ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনলাইন ফৰ্মৰ মাধ্যমেৰে অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ বিষয়ক প্ৰশ্নৰ উত্তৰ গ্ৰহণ কৰা হয়। আজি ভাৰতৰ সংবাদ মাধ্যম সততে সমালোচনাৰ মুখামুখি হ'ব লগাত পৰা আমি দেখিবলৈ পাওঁ, এইক্ষেত্ৰত অসমৰ সংবাদ মাধ্যমৰো অৱস্থা বৰ বিশেষ ভাল নহয়। ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ত সংবাদ মাধ্যম সমূহক লৈ বিভিন্ন জৰীপ চোলোৱা হৈ থাকে আৰু আমি তাৰ উপলব্ধিও পঢ়িবলৈ পাওঁ। অসমত যিহেতু তেনে জৰীপৰ অভাৱ সেই উদ্দেশ্য আগত ৰাখিয়েই এই জৰীপটো কৰা হৈছিল। জৰীপটো কৰোতে লক্ষ্য ৰখা হৈছিলে যে, কি কি বিষয়ত জনসাধাৰণ সন্তুষ্ট নহয় আৰু কি কি বিষয়ত সংবাদ মাধ্যম সমূহে তেওঁলোকৰ কামত পৰিৱৰ্তন অনাৰ প্ৰয়োজন আছে।

উক্ত জৰীপটোত পোৱা যায় যে, ৬০.৭৮ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই তথ্যৰ বাবে ইন্টাৰনেটৰ ওপৰত নিৰ্ভৰশীল। বাকী ২৫.৪৯ শতাংশ ছাত্ৰ-ছাত্ৰী দূৰদৰ্শন ১১.৭৬ শতাংশ ছাত্ৰ-ছাত্ৰী বাতৰিকাকত আৰু ১.৯৬ শতাংশ ছাত্ৰ-ছাত্ৰী ৰেডিঅ'ৰ ওপৰত নিৰ্ভৰশীল। ইন্টাৰনেটত অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰীৰ তথ্যৰ বাবে নিৰ্ভৰশীলতাক বহু পৰিমাণে পুৰণ কৰে বুলি ভাবিব পাৰি। অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যম চায় নে নাচায় প্ৰশ্নত, ৯৬.০৮ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে চায় বুলি এই জৰীপটোত মতামত প্ৰদান কৰে। ইয়াৰ পৰা সহজেই অনুমেয় যে, আমাৰ সমাজত অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ দৰ্শকৰ পৰিমাণ যথেষ্ট। ছাত্ৰ-ছাত্ৰীসমূহৰ ৪৩.১৪ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে দৈনিক অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যম নাচায়; ১৯.৬১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে দৈনিক ১ঘন্টাতকৈ কম, ২৭.৪৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে দৈনিক ২ঘন্টা আৰু ৯.৮০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে দৈনিক ২ঘন্টাতকৈ অধিক অসমীয়া বৈদ্যুতিন সংবাদ চায় বুলি মতামত আগবঢ়ায়। অৰ্থাৎ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে দৈনিক অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যম অৰ্থাৎ অসমীয়া নিউজ চেনেল চায় অথবা উপভোগ কৰে। ছাত্ৰ-ছাত্ৰীসকলে সামাজিক ঘটনাৱলীৰ বাতৰি ২৪.০০ শতাংশ, বিজ্ঞানজগতৰ বাতৰি ২২.০০ শতাংশ, ৰাজনৈতিক বাতৰি ১৫.০০ শতাংশ, বাণিজ্য আৰু অৰ্থনীতিৰ বাতৰি লগতে আৰু অন্যান্য বাতৰি ক্ৰমে ১৪.১৪ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে চাই ভালপায় বুলি মতপোষণ কৰে। তাৰোপৰি ৪৬.০০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে সংবাদ মাধ্যমসমূহত প্ৰচাৰ কৰা সকলো ধৰণৰ অনুষ্ঠান চাই ভাল পায় আৰু ২৪.০০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে প্ৰাইমটাইম বাতৰি, ২২.০০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে অন্যান্য মনোৰঞ্জন ধৰ্মী অনুষ্ঠানসমূহ আৰু মাত্ৰ ৮.০০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে ট্কছ' সমূহ চাই ভালপায়। অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমেতে তেওঁলোকৰ অনুষ্ঠানত অধিক হাৰত প্ৰচাৰ কৰাত

বিৰোধিতা কৰাৰ শীৰ্ষত আছে অন্ধবিশ্বাস জনিত বাতৰি।। ৫৮.৮২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে অন্ধবিশ্বাস জনিত বাতৰি অধিক হাৰত প্ৰচাৰ কৰাটো নিবিচাৰে, তাৰ লগতে ১৫.৬৯ শতাংশ ছাত্ৰ- ছাত্ৰীয়ে অপৰাধ জনিত বাতৰি আৰু ৩.৯২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে ৰাজনৈতিক বাতৰি বাতৰিহে অধিকাৰ হাৰত প্ৰচাৰ কৰাটো নিবিচাৰে। অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ প্ৰচাৰ আৰু প্ৰসাৰ ৰাজ্যখনৰ চাৰিওফালে যথেষ্ট যদিও ৮৪.৩১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বিচাৰা ধৰণে সকলো ধৰণৰ বাতৰি নাপায় বুলি মত পোষণ কৰে আৰু বাকী ১৫.৬৯ শতাংশ ছাত্ৰ-ছাত্ৰীহে এইক্ষেত্ৰত সন্তুষ্ট। অসমীয়া সংবাদ মাধ্যমত ধাৰাবাহিক অথবা বোলছবি প্ৰচাৰৰ ক্ষেত্ৰত ৩৫.২৯ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে সমৰ্থন নকৰে, ১৫.৬৯ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে সমৰ্থন কৰে আৰু সৰ্বাধিক ৪৯.০২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে এইক্ষেত্ৰত তেওঁলোকৰ একো ক'বলগীয়া নাই বুলি মতামত দিয়ে। অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতাৰ ওপৰত কৰা প্ৰশ্নত সৰ্বাধিক ৮২.৩৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে আংশিকভাৱে বিশ্বাসযোগ্য আৰু ১.৯৬ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে একেবাৰেই বিশ্বাসযোগ্য নহয় বুলি মত পোষণ কৰে। বাকী ৯.৮০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণভাৱে বিশ্বাসযোগ্য আৰু ৫.৮৮ শতাংশই কোনো ধাৰণা নথকা বুলি মতপোষণ কৰে।

"বৰ্তমান অধিকাংশ নিউজ চেনেল ৰাজনৈতিকৰ হাতৰ পুতলা", এই উক্তিটো ৩৭.২৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে একেবাৰে সত্য আৰু ৫০.৯৮ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে আংশিকভাৱে সত্য বুলি অনুভৱ কৰে। ১.৯৬ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে একেবাৰে অসত্য আৰু ৯.৮০ শতাংশ ছাত্ৰ-ছাত্ৰীৰ এইক্ষেত্ৰত কোনো ধাৰণা নাই। অসমীয়া নিউজ চেনেলসমূহে ব্যৱহাৰ কৰা ভাষাৰ মানদণ্ড ৩.৯২ শতাংশই নিম্ন পৰ্যায়ৰ আৰু ৫৮.৮২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে মধ্যমপৰ্যায়ৰ বুলি মতামত আগবঢ়ায়। ১৯.৬১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে সংবাদ মাধ্যমৰ ভাষা উচ্চ পৰ্যায়ৰ বুলি মত পোষণ কৰে আৰু ১৭.৬৫ শতাংশৰ এইক্ষেত্ৰত কোনো ধাৰণা নাই বুলি জনায়। বাতৰি পৰিৱেশক আৰু সংবাদদাতাৰ সংবাদ প্ৰদানৰ শৈলীকলৈ ৫০.৯৮ শতাংশ ছাত্ৰ-ছাত্ৰী সন্তুষ্ট নহয় আৰু বাকী ৪৯.০২ শতাংশ ছাত্ৰ-ছাত্ৰী এইক্ষেত্ৰত সন্তুষ্ট। আটাইতকৈ বিশ্বাসযোগ্যতা বুলি অনুভৱ কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিদিনটাইমক ২৭.৮৫ শতাংশই আৰু ১৭.৭২ শতাংশই নিউজলাইভক আটাইতকৈ বিশ্বাসযোগ্য বুলিও গণ্য কৰে। বাকী Dy 365, News 18, Assam Northeast, প্ৰাগনিউজ, NKTV, DD Northeast, ND24 আৰু Assam Talks ক ক্ৰমান্বয়ে ১৫.১৯ শতাংশ ১১.৩৯ শতাংশ, ১০.১৩ শতাংশ, ৭.৫৯ শতাংশ, ৫.০৬ শতাংশ, ৩.৮০ শতাংশ আৰু ১.২৭ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে আটাইতকৈ বিশ্বাসযোগ্য বুলি গ্ৰহণ কৰে। অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমে ছাত্ৰ-ছাত্ৰীৰ জীৱনত ৬৮.০০ শতাংশই ভাল প্ৰভাৱ পেলোৱা বুলি আৰু ৩২.০০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে ভাল প্ৰভাৱ পেলোৱা নাই বুলি অনুভৱ কৰে।

এই জৰীপটোৰ পৰা আজিৰ অসমৰ প্ৰেক্ষাপটত তথ্যৰ বাবে অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ ওপৰত আগৰ প্ৰজন্মসমূহৰ নিচিনাকৈ যুৱ-প্ৰজন্মও যথেষ্ট পৰিমাণে নিৰ্ভৰযোগ্য। যদিওবা ইন্টাৰনেটৰ প্ৰসাৰে বহুখিনি নিৰ্ভৰযোগ্যতা অন্যান্য মাধ্যমৰ পৰা কমাই আনিছে তথাপি ইন্টাৰনেট অনিয়ন্ত্ৰিত আৰু সকলোৰে বাবে মুক্ত মাধ্যম হোৱা হেতুকে বিশ্বাসযোগ্যতাৰ ক্ষেত্ৰ খনত পিছ পৰি ৰোৱা দেখা যায়। আনহাতে বৈদ্যুতিন সংবাদ মাধ্যমত কি দেখুৱাইছে তাৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ চেনেল সমূহৰ হাতত থকা বাবে একেটা বাতৰিকে বাৰে পতি দেখুওৱাৰ বাবে দৰ্শকে কিছু বিৰক্তি ভাৱ অনুভৱ কৰে। তাতে যদি আকৌ অন্ধবিশ্বাস জনিত বাতৰি অথবা কিমান পৰিমাণে সত্যতা আছে। তাৰ কোনো মাপ কাঠি নথকা বাতৰি কোনো প্ৰচাৰ মাধ্যমে প্ৰচাৰ কৰে তেনে অনুষ্ঠান প্ৰচাৰত অধিকাংশ দৰ্শকে বিৰোধীতা কৰা দেখা যায়। উদাহৰণ স্বৰূপে ঃ

আমি উল্লেখ কৰিব পাৰো আত্মাৰ লগত বিশেষ যন্ত্ৰৰে যোগাযোগৰ কৰাৰ অনুষ্ঠান সম্প্ৰচাৰ কৰা হৈছিল অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমতে, যাৰ নেকি সত্য- সত্যতাৰ কোনো মাপ উলিওৱা ৯৯.৯৯ শতাংশই অসম্ভৱ। এনেবোৰ আৰু বিভিন্ন কাৰণত অসমীয়া বৈদ্যুতিন সংবাদৰ বিশ্বাসযোগ্যতাত কিন্তু প্ৰশ্নবোধক চিহ্ন আহি পৰে। তাৰ লগে লগে ৰাজনীতি আৰু ৰাজনৈতিকৰ প্ৰভাৱৰ পৰাও মুক্ত নহয় এই সংবাদ মাধ্যম সমূহ। অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ প্ৰসাৰ গাওঁ-ভুইলৈ হ'লেও জৰীপত অংশ গ্ৰহণ কৰা অধিকাংশই তেওঁলোকৰ স্থানীয় সমস্যাৰ বাতৰি প্ৰচাৰ মাধ্যম সমূহত প্ৰচাৰ নোহোৱা বুলিহে মত পোষণ কৰে অৰ্থাৎ গোটেই ৰাজ্যখনৰ বাতৰি এই প্ৰচাৰ মাধ্যম সমূহে গোটোৱাত অসমৰ্থ যেন এক চিত্ৰ পোহৰলৈ আহে। তাৰোপৰি সংবাদ মাধ্যমে ব্যৱহাৰ কৰা ভাষা আৰু সংবাদ পৰিৱেশকে হৈ-চৈ, চিঞৰ-বাখৰ কৰাৰ প্ৰথাবোৰ বন্ধ হওঁক। এই জৰীপটোৰ পৰা অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমৰ এনে সমালোচনাৰ কাৰক যুৱ প্ৰজন্মৰ দৃষ্টিকোণৰ পৰা সন্মুখলৈ আহে। অধিকাংশ যুৱ প্ৰজন্মই তেওঁলোকৰ জীৱনত অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমে ভাল প্ৰভাৱ পেলোৱা বুলি অনুভৱ কৰে যিহেতু এইসমূহ কাৰকৰ ওপৰত চিন্তা- চৰ্চা কৰিলে সংবাদ মাধ্যমৰ এই জটিল ক্ষণত অসমীয়া বৈদ্যুতিন সংবাদ মাধ্যমে আৰু অধিকলোকৰ জীৱনত ভাল প্ৰভাৱ পেলাব পাৰিব বুলি আশা সঞ্চাৰ কৰিব পাৰি। ❐

# ভালপোৱা

✍ হৃষিকা দত্ত
চতুৰ্থ যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ধোঁৱাই চিকুটি খোৱা দিনত
ছাতিৰ তলত মুখ ঢকা নষ্ট আবেলিৰ আৱেষ্টনীত
আলি বাটৰ পোকে ধৰা শিলত লাগি ছিগিছিল এখনি অচিনাকী মুখ।
(তাত ভালপোৱাৰ কোনো কথাই নাছিল)

মৃত দেহৰ ওপৰেদি খোজ কাঢ়োতেও মৌন আছিল এশাৰী বকুল
কাঁইটে খুচিলেও চিৎকাৰ নকৰাৰ চুক্তিত যি চিৰদিন সাৱটি লৈছিল আলি বাটৰ শিলক
(ভুলকৈ নক'বা, তাতো ভালপোৱৰ কোনো কথাই নাছিল)

চকুৰ মণিত খুটে কোনে?
ভ্ৰমৰ আলিবাট বান্ধে কোনে?
বকুলৰ ফটা চোলা
বুকুৰ বুটাম খোলা
আলিবাটৰ শিলত উজুতি খাই ছিগি যায় এখনি অচিনাকী মুখ
(আলিবাটৰ মুখবোৰ স্বাধীন,
তথাপি, ভালপোৱাৰ কোনো কথাই যেন নাছিল ক'তো)

ಃಃಃಃಃಃ

# মুক্তিপণ

✍ **ভূপাশী ৰয়**
৪ৰ্থ যান্মাষিক
ৰাজনীতি বিজ্ঞান বিভাগ

বিশ্ব বিজয় ন-জোৱান
বিশ্ব বিজয় ন-জোৱান
বুকুত আমাৰ অসীম সাহস
পৰ্বত লংঘি সাগৰ নেওচি
হেলাৰঙে কৰিম শতৰু নিধন
এয়ে আমাৰ মুক্তিপণ
আই মাতৃৰ বুকুত জনমী
কাল শতৰুক নিদিওঁ লাই
কোননো আছে বদনৰ দল
দেশৰ শতৰু জাতিৰ শতৰু
বিচাৰি যাম জলস্থল
ঘাই শিপা উঘলিম
কৰিম আস্ফালন
শতৰু নিধনৰ
ভাৰত মাতা কী জয়
বন্দে মাতৰম
তিমিৰ নাশি পোহৰ উজ্বলাম
সেউজীয়া ঘাঁহনিৰ দলিচা পাৰি
জোনাকৰ পোহৰত সাধু কথা শুনিম
সোণ মইনা কল-কলাব
শিয়ালিয়ে নাহিবি ৰাতি
আইতাই নিচুকনি গীত জুৰিব।
মনৰ আশা কৰিম সফল
মৰিম কিম্বা তৰিম
এয়ে মোৰ মুক্তি পণ
ঃঃঃঃঃ

# চিনাকি ঠিকনা

✍ **অস্মিতা পাটগিৰি**
৪ৰ্থ ষান্মাষিক
ৰাজনীতি বিজ্ঞান বিভাগ

অবিশ্ৰান্ত চহৰখনৰ মূৰে ধূসৰ কুঁৱলীৰ আঁৰত হেৰাই যোৱা
অকলশৰীয়া অচিনাকি পথটোৱে সন্ধান কৰি ফুৰিছে
ক্ৰমশঃ
আবতৰীয়া ডাৱৰৰ মাজত
লুকাই পৰা
মৌন জোনটিৰ অস্তিত্ব...
কিন্তু, সেই অচিনাকি পথটিয়ে
বিচাৰি পাবনে... !
মৌন উৰুখা জোনটিৰ
দেশলৈ যাব পৰা
নিভাঁজ অভিমানী পথটিৰ
চিনাকি ঠিকনাটি...

ঃঃঃঃ

# ন- প্ৰত্যাশা

✍ **ধৃতিমণি শৰ্মা**
৪ৰ্থ ষান্মাষিক
উদ্ভিদ বিজ্ঞান বিভাগ

ওপজা দিনৰে পৰা
তোমাৰ মৰমে মোক জীপাল কৰে
শৈশৱৰ ন ন বিকাশৰ সাজ পিন্ধাই
হাতে হাত ধৰি
জীৱনৰ বাটত খোজ দিবলৈ শিকালা
বুকুৰ উমেৰে স্নেহ বান্ধোনেৰে
থুনুক-থানাক মাতবোৰ তুমিয়েই শিকালা
বেয়াবোৰ পাহৰি আমি আদৰিল ল'ম ন-প্ৰত্যাশাক

ঃঃঃঃ

# এই সময় শেষ হওঁক

✍ **ধৃতিস্মিতা কলিতা**
২য় ষান্মাসিক
সংস্কৃত বিভাগ

ব্যস্ততাবোৰ যেন,
কেনিবা হেৰাই গ'ল।
ৰাতিপুৱাৰ ভিৰ পথবোৰো যেন, সেমেকা হৈ পৰিল।
কান্ধত বেগখন লৈ,
দিওঁ নিদিওঁ খোজ দি,
পঢ়াশালিলৈ যোৱা,
কণমানিবোৰকো যেন,
নেদেখা হ'লো।
প্ৰকৃতিয়েও যেন ঠেহ পাতিছে
ক'ৰবাত যেন আমিবোৰ
নিজক লৈহে ব্যস্ত হৈছোঁ।
মহামাৰীৰ প্ৰচণ্ড কোবালে যেন বুজাই দিছে;
আমিবোৰ যে প্ৰকৃতিৰেই দান।
প্ৰকৃতিক অৱমাননা কৰাৰ ফলস্বৰূপে;
আজি যেন সমগ্ৰ পৃথিৱীয়ে অবাক।।
এই কঠিন সময়ে আমাক সুযোগ দিছে।
এজনে আনজনক সহায় কৰাৰ।
দুখ দিছে আপোনজনক হেৰুৱাৰ।
এই সময়ে জ্ঞান দিছে,
সংযমৰ মাজেৰেহে যে জীৱন,
অতিবাহিত হয়।
এই সময়ে কৈ গৈছে,
মানুহে যে মানুহৰ বাবে।
শৰত বিন্ধা পক্ষীৰ নিচিনা;
আমিবোৰো যেন
ক'ৰবাত ৰৈ গৈছো।
ব্যস্ততাবোৰ অবিৰত হওঁক।
পথবোৰ ভৰি পৰক।
প্ৰকৃতিৰ অভিমানবোৰ;
ইমানতেই ভাঙি যাওঁক।
মৰিশালিহৈ পৰা পৃথিৱীখন;
পুনৰ জী উঠক।
এই সময় শেষ হওঁক।

ꕀꕀꕀ

# সময়

✍ **হিমাদ্ৰী দত্ত**
২য় ষান্মাষিক
গণসংযোগ আৰু সাংবাদিকতা বিভাগ

সময়বোৰ সলনি হ'ল,
মোবাইলৰ স্ক্ৰীনখনতে আৱদ্ধ এতিয়া
মাৰ নিচুকনি গীতবোৰ।
দেউতাৰ কোলাখনে এতিয়া
উচুপি উচুপি চায়
গাড়ীৰ ছিটটোলৈ।
আইতাৰ হাতে বনোৱা পুতলাবোৰ
এতিয়া আৰু ক'ত,
সেয়াও চোন সেই ৰঙীন কাগজবোৰৰ
বিনিময়ত পোৱা হ'ল।
ককাদেউতাৰ কোলাত বহি
সাধু শুনাৰ মাদকতাবোৰো অধিকাৰী
এতিয়া টিভিটোৰেই হ'ল।

# কোন তুমি?

✍ **নেইনা পাটোৱাৰী**
২য় যান্মাসিক
অৰ্থনীতি বিভাগ

কোন তুমি?
নাজানো তুমি কোন
মাথো জানো
তুমি এন্ধাৰ ৰাতিৰ
মোৰ মনৰ চোতাল পোহৰাই তোলা জোন।
কোন তুমি?
নাজানো তুমি কোন
মাথো জানো
তুমি হ'লা
এন্ধাৰ নিশাৰ
মোৰ জীৱন বাট পোহোৰাই তোলা
জোনাকী পৰুৱা।
কোন তুমি?
নাজানো তুমি কোন
নুবুজো তুমি কোন
তুমি হ'লা
মোৰ মনৰ মাজৰ
স্পৰ্শবিহীন
উজ্জ্বল তৰা।

ঃঃঃঃ

# সকলো তুমি

**পংকজ পাঠক**
২য় যান্মাসিক
পৰিসংখ্যা বিভাগ ✍

তুমি বুলি ভবা প্ৰতিটো ক্ষণক
মোৰ বুলি আজুৰি আনিলোঁ,
আবেগৰ ধুমুহাৰ মাজত তোমাক
নিজৰ বুলি সাৱটি ধৰিলোঁ...
জোনাকৰ নিজান ৰাতি
আত্মাৰ মিলনৰ ক্ষণ গনিলো,
উকা কাগজত তোমাৰ নীলা ৰঙৰ
এটি গানৰ ছবি আঁকিলো...
মৌনতা ভৰা নিজানত
তোমাৰ হাঁহিৰ মাজত নিজক বিচাৰিলো,
জীৱন গঢ়াৰ দুটি জোনাকৰ
এমুঠি প্ৰেৰণা লভিলোঁ...
হৃদয়ৰ অনুভৱবোৰ তোমাৰ নামেৰে
জীপাল কৰি তুলিলোঁ,
মনৰ থাপনাত তোমাৰ ছায়া
আলফুলে নিজৰ কৰি ৰাখিলোঁ...।

ঃঃঃঃঃ


# নষ্ট চন্দ্ৰ আৰু বিষাদৰ আকাশ

✍ **পাখি দাস**
ষষ্ঠ ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

কাৰ আগত আমি হৃদয়ৰ বন্ধ দুৱাৰৰ
অৰ্গল খুলি কান্দি উঠিব পাৰো?
নিশ্চয় তেনে এজনৰ বিশেষ অস্তিত্ব,
যাৰ হৃদয়ত থাকে আকাশৰ বিশালতা
আৰু দুচকুত বিয়পি থাকে চেনেহৰ পাগলাদিয়া।
নিজৰ লগতে নিজে খেলা এইদৰেই
প্ৰশ্ন সোধা আৰু উত্তৰ দিয়া কুক-ভা খেল।
সপোনবোৰক বাস্তৱৰ কবৰস্থানত সমাধি দি উঠি
আঁঠু কোচাই বেলিভিউৰ কেঁকুৰিত বহি ৰওঁ।
উভতি নোচোৱাৰ প্ৰতিশ্ৰুতি দি
এৰি থৈ গ'লাগৈ তুমি এটি চিনাকি বাটত
বুকুত ধুমুহা বলিছে, জীৱনৰ বাটত
অন্ধকাৰে বেৰি ধৰিছে।
তোমাৰ অনুপস্থিতত জীৱনেও ৰং চাব ধৰিছে।
কিয় বাৰু হেৰাই গ'লা তুমি?
পৃথিৱীলৈ তুমিয়ে আনি কিয় নিথৰুৱা কৰিলা মোক?
মনৰ আকাশখনত বিষাদৰ ক'লা ডাৱৰে আৱৰিছে।
তোমাৰ মৰমৰ টোপোলাতো সযতনে বুকুত বান্ধি,
নষ্ট চন্দ্ৰ আৰু বিষাদৰ আকাশখন পোহৰাই তুলিম।
তাৰ পৰাই হাত বাউলি মাত লগাবা মোক,
তোমাক চোৱাৰ হেঁপাহেৰে ৰৈ থাকিম "মা"

ঃঃঃঃ

# News Capsule



**৩০ ছেপ্তেম্বৰ ঃ**যোৱা ইং ২৪ জুন তাৰিখে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই প্ৰতিষ্ঠা দিৱসতে বিশ্ববিদ্যালয়খনৰ নতুন প্ৰশাসনিক ভৱন মুকলি কৰে ৰাজ্যৰ শিক্ষা মন্ত্ৰী ৰনোজ পেগুৱে আৰু লগতে উপস্থিত থাকে ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। এই প্ৰতিষ্ঠা দিৱসৰ লগতে সংগতি ৰাখি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ সভাপতিত্ব এখন মুকলি সভাও অনুষ্ঠিত কৰা হয়।

**14Aug, 2021 :**



The dept of MCJ of Bhattadev University, Bajali orgaised a special online session. the session was held on 15 May, 2021. The topic of the session was "Covid-19, Student and Mental Health" The online session held through Google meet and Kasturi Borah, a renowned counsellor and alternative therapist who was the chief guest of this event. The HOD and other facilities along with the students are participate in the session.


**১৫ আগষ্ট ঃ**

নৱ গঠিত বজালী জিলাত ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেন্দ্ৰীয় ভাৱে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰৰ বাকৰিত বিভিন্ন কাৰ্যসূচীৰে স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। পোন প্ৰথম বাৰৰ বাবে বজালী জিলা প্ৰশাসনে আয়োজন কৰা কুচ কাৱাজ প্ৰতিযোগিতাত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ N.C.C গোটেও অংশ গ্ৰহণ কৰে আৰু তাত দলটোৱে দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।

**১৫ আগষ্ট ঃ**

পাঠশালা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু বজালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সম্পূৰ্ণানন্দ তালুকদাৰদেৱৰ ৫ জুন তাৰিখে ৰাতিপুৱা পৰলোক প্ৰাপ্তি ঘটে। তেখেত অসম আন্দোলনৰ অগ্ৰণী সেনানীৰ লগতে এগৰাকী নিঃস্বাৰ্থ সমাজ সেৱক আছিল। তেখেতৰ কাৰ্যকালতে বজালী মহাবিদ্যালয় ভট্টদেৱ বিশ্ববিদ্যালয়লৈ উন্নীত হৈছিল। তেওঁক হেৰুৱাই বজালীবাসী অভিভাৱকহীন হৈ পৰে।

# ARTS & PHOTOGRAPH





Dipankar Kalita, BA in Assamese (5th Sem.)



Himakshi Barman, B.Sc. in Botany(6th Sem)



Pratikshya Sarma, BA in Education (2nd Sem.)

# ARTS & PHOTOGRAPH





Bidyut Patgiri (Ex. Student) MCJ Dept.



Abdul Karim Ahmed, BA in Economics
(5th Sem)



Caption : Frame in a Frame
Parna Pratim Medhi, BA in MCJ
(2nd Sem)